সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ, ৩৯ সংখ্যা,১১ আহিন, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 39 Date of Publication- 28 September 2025 Rs. 10.00/-




## জুবিনক ন্যায় দিয়াৰ ক্ষেত্ৰত বিফল হ'লে মোক শাস্তি দিবঃ মুখ্যমন্ত্ৰী




ৰঙিলী বাৰ্ত্তাসেৱা- জুবিনক আমি ন্যায় দিব লাগিব আৰু যিদিনা জুবিনক ন্যায় দিয়াৰ ক্ষেত্ৰত মই বিফল হ'ম, জনসাধাৰণে মোক শাস্তি দিব। যদি আমি জুবিনক ন্যায় দিব নোৱাৰোঁ তেন্তে ২০২৬ চনত মানুহে আমাক কিয় ভোট দিব? সেয়া আমি সকলোৱে মানি ল'ব লাগিব। এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। শেষ বিন্দু তেজ থকালৈকে জুবিনক ন্যায় দিয়াৰ যুঁজ অব্যাহত থাকিব। জুবিনে ন্যায় পাবই। ফেচবুক লাইভযোগে এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- কোনো এজন জুবিন অনুৰাগীতকৈ মই নিজকে কম অনুৰাগী বা বেছি অনুৰাগী বুলি নাভাবোঁ। কাৰণ আমাৰ সকলোৱে জুবিনক ভাল পোৱাৰ অধিকাৰ আছে। জুবিনৰ মৃত্যুৰ ঘটনাৰ সৈতে জড়িত প্ৰতিজন ব্যক্তিক আইনৰ সন্মুখলৈ অনাৰ দায়িত্ব অসমৰ মুখ্যমন্ত্ৰীৰ। সেই দায়িত্ব পালন কৰা হ'ব সম্পূৰ্ণ নিষ্ঠাৰে। ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ৬ বছৰ পূৰ্বেই মই উল্লেখ কৰিছিলোঁ জুবিনক বিপথে পৰিচালিত কৰাত তেওঁৰ আশে-পাশে লাগি থকা কিছুসংখ্যক লোকৰ ভূমিকাৰ কথা। ৬ বছৰ পূৰ্বে মই যি কৈছিলোঁ, সেয়া এতিয়াও বহু সংবাদ মাধ্যমত প্ৰচাৰিত হৈ আছে। গতিকে সমগ্ৰ ঘটনা সন্দৰ্ভত মোৰ মতামত অথবা যি স্পষ্ট ভাব আছিল সেয়া আজিৰ নহয়। ৬ বছৰ পূৰ্বেই মই ৰাইজক জনাইছিলোঁ। জুবিন আমাৰ জাতীয় সম্পদ। জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা আৰু ভূপেন হাজৰিকাৰ সমকক্ষ বুলি জুবিন গাৰ্গক অভিহিত কৰি জুবিনৰ সন্মুখত দিয়া ভাষণো সামাজিক মাধ্যমত এতিয়াও উপলব্ধ হৈ আছে। জুবিনৰ প্ৰতি মোৰ এক ব্যক্তিগত কৃতজ্ঞতাও আছে। মোৰ পিতৃ প্ৰয়াত কৈলাশ নাথ শৰ্মাৰ গীতৰ সংকলন জুবিনে অতি মৰমেৰে 'ঋণজুন' নামৰ কেছেটটোৰ জৰিয়তে গীত বাণীবদ্ধ আৰু ভিডিঅ' কৰি মোক উপহাৰ দিছিল। এই গানকেইটাই যথেষ্ট সমাদৰ লাভ কৰিছিল। এজন পুত্ৰ (দহ পৃষ্ঠাত চাওক)

## জুবিনৰ মৃত্যুৰ তদন্ত বিচাৰি এজাহাৰ দাখিল পত্নী গৰিমাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত পত্নী গৰিমা শইকীয়া গাৰ্গে দাখিল কৰিলে এজাহাৰ। চিআইডিৰ ওচৰত দাখিল কৰা এই এজাহাৰত ছিংগাপুৰত জুবিনৰ মৃত্যুৰ সময়ত থকা সকলো ব্যক্তিৰ বিৰুদ্ধে অভিযোগ তোলা হৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ ৯ দিনৰ পাছত আনুষ্ঠানিক এজাহাৰ দাখিল কৰে পৰিয়ালৰ লোকে। এজাহাৰত স্বাক্ষৰ কৰে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে, ভগ্নী পামী বৰঠাকুৰ আৰু খুড়াক মনোজ বৰঠাকুৰে। স্বাভাৱিকতে জুবিন ( নপৃষ্ঠাত চাওক)

## এমআইএলত সন্নিৱিষ্ট কৰা হ'ব জুবিনৰ জীৱনীৰ পাঠ্যক্ৰম



ৰঙিলী বাৰ্ত্তাসেৱা- জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে এক ঐতিহাসিক সিদ্ধান্ত লৈছে। জুবিন গাৰ্গৰ সৃষ্টি কৰ্মৰাজিক আধুনিক ভাৰতীয় ভাষা (এমআইএল) ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হ'ব। এই কথা ঘোষণা কৰিলে ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ আৰচি জৈনে। প্ৰয়াত শিল্পীগৰাকীৰ কাহিলিপাৰাস্থিত বাসগৃহত শ্ৰদ্ধাঞ্জলি (দহ পৃষ্ঠাত চাওক)

# হাগ্ৰামাৰ বিজয় মানে আমাৰ বিজয়ঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- সদ্য সমাপ্ত বিটিচি নিৰ্বাচনত বিপিএফে একক সংখ্যাগৰিষ্ঠতাৰে পুনৰ ক্ষমতালৈ উভতি অহাৰ পাছত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মতে, বিটিচি নিৰ্বাচনত বিপিএফৰ জয়লাভ মানেই এনডিএৰ জয়লাভ। বিটিচিৰ ৪০খন আসনেই এনডিএৰ দখলত আছে। সংবাদ মাধ্যমৰ আগত তেওঁ কয়- হাগ্ৰামা মহিলাৰীৰ বিজয় মানে আমাৰ বিজয়। যোৱা ৫ বছৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনক হাগ্ৰামা মহিলাৰীয়ে সমৰ্থন জনাই আহিছে। বিপিএফৰ বিধায়ক দুৰ্গাদাস বড়ো, ৰবিৰাম ব্ৰহ্ম, চৰণ বড়োৱে বিজেপি বিধায়িনী দলৰ বৈঠকতো অংশগ্ৰহণ কৰি আহিছে। গতিকে হাগ্ৰামা মহিলাৰীৰ বিজয় মানেই এনডিএৰ জয়। ফলাফল ঘোষণা হোৱা বিটিএডিৰ ৪০খন আসনেই এনডিএৰ হাতত। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিটিএডিত ১৫খন আসনত এনডিএই ইমান ভাল ফলাফল দেখুৱাবলৈ সক্ষম হ'ব। কংগ্ৰেছে যদি এখন আসনো লাভ কৰিলে হয়, তেন্তে ক'লোঁ হয় যে নন-এনডিএৰ হাতত এখন আসন আছে। এতিয়া বিপিএফে পোৱাখিনিও এনডিএৰ (দহ পৃষ্ঠাত চাওক)

# ১০ অক্টোবৰত ঘোষণা হ'ব এডিআইৰ তৃতীয়বৰ্গৰ ফলাফল



ৰঙিলী বাৰ্তাসেৱা- ফেচবুক লাইভযোগে ৰাজ্যবাসীক সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও ঘোষণা কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ঘোষণা কৰা অনুসৰি অহা ১০ অক্টোবৰত এডিআৰইৰ তৃতীয়বৰ্গৰ পৰীক্ষাৰ ফলাফল ঘোষণ কৰা হ'ব। আনহাতে ১৫ অক্টোবৰত এডিআৰইৰ চতুৰ্থবৰ্গৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত উল্লেখ কৰে যে এডিআৰইৰ পৰীক্ষাৰ ফলাফলৰ লগতে আন কেইবাটাও নিযুক্তি পৰীক্ষাৰ ফলাফল ১০ অক্টোবৰত ঘোষণা কৰাৰ কথা আছিল যদিও যোৱা কেইদিনমানৰ ঘটনাপ্ৰৱাহ আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ৰ পৰিপ্ৰেক্ষিতত এই প্ৰক্ৰিয়া স্থগিত ৰখা হৈছিল। চৰকাৰে এতিয়া পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ দিনসমূহ স্থিৰ কৰিছে। সেই অনুসৰি এডিআৰই পৰীক্ষাৰ তৃতীয়বৰ্গৰ নিযুক্তিৰ ফলাফল ১০ অক্টোবৰত ঘোষণা কৰা হ'ব। একেদৰে এডিআৰইৰ প্ৰায় ৫ হাজাৰ পদৰ বিপৰীতে অনুষ্ঠিত চতুৰ্থবৰ্গৰ পৰীক্ষাৰ ফলাফল ১৫ অক্টোবৰত ঘোষণা কৰা হ'ব। আনহাতে স্বাস্থ্য বিভাগৰ বিভিন্ন পৰীক্ষাৰ ফলাফল (টেকনিকেল-নন টেকনিকেল) অহা ১২ অক্টোবৰৰ পূৰ্বে ঘোষণা কৰা হ'ব। একেদৰে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ নিযুক্তিৰ বাবে যি পৰীক্ষা অনুষ্ঠিত কৰা হৈছিল, সেই পৰীক্ষাৰ ফলাফল ১৫-২০ অক্টোবৰৰ ভিতৰত প্ৰকাশ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে এই প্ৰসংগত উল্লেখ কৰে যে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক নিযুক্তিৰ ফলাফল ঘোষণা কৰাৰ পূৰ্বেই স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক নিযুক্তিৰ ফলাফল ঘোষণা কৰা হ'ব। কিয়নো প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ পদ যাতে স্নাতক বা স্নাতকোত্তৰ শিক্ষক পদৰ প্ৰাৰ্থীয়ে দখল কৰিব নোৱাৰে আৰু প্ৰাথমিক শিক্ষক পদৰ বাবে আবেদন কৰা যুৱক-যুৱতীসকল যাতে বঞ্চিত হ'বলগা নহয়। স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ নিযুক্তিৰ ফলাফল ১৫ অক্টোবৰৰ্ত ঘোষণা কৰা হ'ব। এই সমগ্ৰ (দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত সুস্থ নাৰী সুস্থ পৰিয়াল অভিযান স্বাস্থ্য বিভাগৰ




ৰঙিলী বাৰ্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰম্ভ কৰা 'সুস্থ নাৰী, সুস্থ পৰিয়াল অভিযানৰ অংশ হিচাপে নাৰী স্বাস্থ্য সুনিশ্চিত কৰাৰ উদ্দেশ্যৰে ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। বৃহস্পতিবাৰে ডিব্ৰুগড় পৌৰনিগম কাৰ্যালয়ৰ সমূহ মহিলা কৰ্মচাৰী আৰু চাফাই কৰ্মীৰ বাবে বিশেষ চিকিৎসা শিবিৰ অনুষ্ঠিত কৰাৰ লগতে শুকুৰবাৰে ডিব্ৰুগড় আৰক্ষী ছাউনীৰ সমূহ মহিলা আৰক্ষীৰ বাবে বিশেষ স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হয়। দুয়োটা চিকিৎসা শিবিৰতে কৰ্মৰত মহিলা কৰ্মচাৰীসকলৰ ব্যাপক সহাৰি দেখিবলৈ পোৱা যায়। চিকিৎসা শিবিৰত তেওঁলোকৰ বাবে লেবৰেটৰী পৰীক্ষাৰ ব্যৱস্থা উপলব্ধ কৰোৱাৰ লগতে বিনামূলীয়া ঔষধো বিতৰণ কৰা হয়। ১৭ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ ডিব্ৰুগড় জিলাৰ সমূহ আয়ুষ্মান আৰোগ্য মন্দিৰ, প্ৰাথমিক আৰু সামূহিক স্বাস্থ্য কেন্দ্ৰত বিশেষ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হৈ থকাৰ লগতে স্বাস্থ্য বিভাগৰ তৰফৰ পৰা প্ৰতিৰোধমূলক, প্ৰচাৰমূলক আৰু নিৰাময়মূলক স্বাস্থ্য সেৱা (নপৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান...

# উঁই কেৰল উঁই-All around

দেৱাশীষ গোস্বামী, নগাঁও





শ্ৰীকৃষ্ণই স্পষ্টকৈ কলিযুগত ঘটিব পৰা সম্ভাব্য ঘটনাৰাজী ইতিমধ্যে গীতাত বৰ্ণনা কৰি গৈছে আৰু উক্ত কলিযুগৰ বাসিন্দা হিচাপে তেনে ঘটনাৰাজীৰ স্বচক্ষে দেখি থকা আমিবোৰ দুৰ্ভগীয়া সাক্ষী। হৃদয় বিদাৰক কিমান যে ঘটনা আমাৰ চকুৰ সমুখতে এটাৰ পিছত আনটো মানৱৰূপী দানৱ, নৰপিশাচবোৰে সংঘটিত কৰি আহিছে। আপোনালোকে পিছে কোনো কাৰনতে পৃথিৱীৰ এই আৰ্বজনা সমূহক মানসিক ভাৰসাম্যহীন বুলি ভুলতো নাভাবিব। সম্পূৰ্ণ সুস্থ তথা কূট কৌশল ৰচনাত সিদ্ধহস্ত মানসিক ভাৱে আমাতকৈও অধিক শক্তিশালী।

আপুনি, মই হয়তো আনক জানি শুনি দুখ দিয়া, অপকাৰ কৰাতো বাদেই, ভাবিবও নোৱাৰো। ইমানবোৰ মেৰপাক আমাৰ মগজে ঢুকি নাপায়। চাৰিওফালে মানৱ জাতিক লজ্জানত কৰা ঘটনাৰাজীক এটা এটাকৈ দোহাৰাৰ কোনো প্ৰয়োজন বোধহয় নাই। নিকৃষ্ট ৰাজনীতি, পৰকীয়া প্ৰেমৰ পৰিণতি, বহুগামিতা, পইচাৰ খক, ক্ষমতাৰ খক, নিজৰ ক'লা অধ্যায় ঢাকিবলৈ কৰা নিন্দনীয় কৰ্মসমূহ সকলোবোৰেইতো আমাৰ চকুৰ সমুখত জল-জল পট-পট, আমিবোৰ জ্ঞাত।

হয়, আমাৰ বহুত কষ্ট হয় এনেধৰণৰ মেৰপাকত পৰি হোৱা আলাই আথানিবোৰ দেখিলে।

মুঠতে আমাৰ চৌপাশে উঁই পোকৰ টিঘিল ঘিলনি। উঁই পোকৰ জাকে যি দৰে এখন আতক ধুনীয়া ঘৰ নিমিষতে ফোঁপোলা কৰি জহাই খহাই দিব পাৰে, চৌপাশে টিঘিল ঘিলাই ফুৰা মৰাত্মক উঁই পোকৰ জাকবোৰে ক্ষমতা, পইচা, অবৈধ যৌন লালসা, জোখতকৈ অধিক পোৱাৰ খকৰ বশবৰ্তী হৈ, আনক মাৰি ৰজা হোৱাৰ মানসিকতাৰে একোখন সুন্দৰ সংসাৰ, একোখন সমাজ, এখন দেশ জহাই খহাই পেলাইছে। আমিবোৰ নিৰৱ, নিৰ্বাক সাক্ষী মাথোঁ।

শাৰদীয় দুৰ্গোৎসৱৰ আজি ষষ্ঠী, বেল বোধন। দেৱীক পাতত তোলাৰ দিন। আজি এই পবিত্ৰ ক্ষণত দেৱীৰ সমূখত মাথো বাঞ্চা দেৱীয়ে যাতে অতি শীঘ্ৰেই উগ্ৰ ৰূপ ধাৰণ কৰি সমাজৰ আৰ্বজনা মানৱৰূপী দানৱবোৰক, নৰপিশাচ বোৰক, দেশ এখন ফোঁপোলা কৰি পেলোৱা উঁই পোকৰ জাকবোৰক 'Termite Killer','Terminator', 'Termiseal', 'Premise', Biflex TC' আদি বিভিন্ন উঁই নিবাৰক Chemical তকৈও অধিক শক্তিশালী অস্ত্ৰ ব্যৱহাৰ কৰি, সংহাৰ কৰি সমাজখনক, দেশখনক উদ্ধাৰ কৰে যেন। কোনো দুষ্ট চক্ৰ দেৱীৰ ক্ৰোধৰ পৰা সাৰি নাযায় যেন।

যা দেবী সৰ্বভূতেষু শক্তিৰূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।।
জয় মাতাদি

# ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ত বিশ্ব পৰ্য্যটন দিৱস পালন




ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ উচ্চ শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ হিচাপ বিদ্যা বিভাগ, অৰ্থনীতি বিভাগ, ইংৰাজী বিভাগ, অভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষ আৰু প্ৰতিষ্ঠান উদ্ভাৱন কোষৰ উদ্যোগত বিশ্ব পৰ্যটন দিৱস '২৫ উদযাপন কৰে য'ত দেশৰ অৰ্থনৈতিক উন্নয়নত পৰ্যটনৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ত আলোকপাত কৰে। অনুষ্ঠানৰ আঁত ধৰে ড° জেকব কোঁৱৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈয়ে আদৰণি ভাষণ প্ৰদান কৰি পৰ্যটনৰ বিভিন্ন দিশ সাঙুৰি (দহ পৃষ্ঠাত চাওক)

# অসম ক্ৰিকেট সন্থাৰ সংবাদমেল



ৰঙিলী বাৰ্ত্তাসেৱা- অহা ৩০ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'ব আইচিচি মহিলা ক্ৰিকেট বিশ্বকাপ ২০২৫। এই প্ৰতিযোগিতাৰ উদ্বোধনী মেচখন ভাৰত আৰু শ্ৰীলংকাৰ মাজত গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। এই উদ্বোধনী অনুষ্ঠান ( নপৃষ্ঠাত চাওক)

# এছিয়া কাপৰ ফাইনেলত মুখামুখি হ'ব ভাৰত-পাকিস্তান




ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ মুখামুখি হ'ব ভাৰত আৰু পাকিস্তান। দেওবাৰে ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া এছিয়া কাপৰ খিতাপ দখলৰ মেচখনত আকৌ এবাৰ মুখামুখি হ'ব দুই প্ৰতিৱেশী ৰাষ্ট্ৰ। চলিত এছিয়া কাপৰ বৃহস্পতিবাৰে হৈ যোৱা ছুপাৰ ফ'ৰৰ বিজয় অপৰিহাৰ্য মেচখনত পাকিস্তানে বাংলাদেশক ১১ ৰানত পৰাস্ত কৰি ফাইনেলত স্থান সুৰক্ষিত কৰে। সুদীৰ্ঘ ৪১ বছৰৰ পাছত প্ৰথমবাৰৰ বাবে এছিয়া কাপৰ ফাইনেলত মুখামুখি হ'ব ভাৰত আৰু পাকিস্তান। চলিত এছিয়া কাপত তৃতীয়বাৰৰ বাবে মুখামুখি হ'ব চিৰন্তন প্ৰতিদ্বন্দ্বী দল দুটাই। ইতিমধ্যে হৈ যোৱা দুয়োখন মেচতে ভাৰতীয় টীমটোই পাকিস্তানক পৰাস্ত কৰিছে। ক্ৰিকেটৰ ইতিহাসত এতিয়ালৈকে ভাৰত আৰু পাকিস্তানে বহুজাতিক প্ৰতিযোগিতাৰ ফাইনেলত পাঁচবাৰ মুখামুখি হৈছে। অৱশ্যে ইয়াৰে তিনিবাৰ পাকিস্তানে জয়লাভ কৰাৰ বিপৰীতে ভাৰতে দুবাৰহে বিজয় সাব্যস্ত কৰিছে। ১৯৮৫ চনৰ বেনছন

# ঔষধৰ ওপৰত ১০০ শতাংশ শুল্ক আৰোপ আমেৰিকাৰ ৰাষ্ট্ৰপতি ট্ৰাম্পৰ




ৰঙিলী বাৰ্ত্তাসেৱা- আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ঔষধৰ ওপৰত ১০০ শতাংশ শুল্ক আৰোপ কৰিছে। আমেৰিকাই ঘৰুৱা সামগ্ৰীৰ ওপৰত ৫০ শতাংশ, আচবাবৰ ওপৰত ৩০ শতাংশ আৰু মালবাহী ট্ৰাকৰ ওপৰত ২৫ শতাংশ শুল্ক আৰোপ কৰাৰ কথা ঘোষণা কৰে। সংশ্লিষ্ট সামগ্ৰীসমূহ আমেৰিকাত প্ৰস্তুত কৰিবলৈও দাবী জনাইছে মাৰ্কিন প্ৰশাসনে। ট্ৰাম্পে সামাজিক মাধ্যমযোগে ১ অক্টোবৰৰ পৰা নতুন কোম্পানীৰ ঔষধৰ ওপৰত ১০০ শতাংশ শুল্ক আৰোপৰ কথা ঘোষণা কৰে। যদিহে এই কোম্পানীসমূহে আমেৰিকাৰ মাটিত উৎপাদন আৰম্ভ নকৰে তেন্তে তেওঁলোকে সেই শুল্কৰ বোজা বহন কৰিব লাগিব। ট্ৰাম্পে অৱশ্যে কেৱল ভাৰতৰ ক্ষেত্ৰতে নহয়, ঔষধ ৰপ্তানি ( নপৃষ্ঠাত চাওক)

# এছআইটিৰ তদন্তত সন্তুষ্ট নহ'লে চিবিআইক দিয়া হ'ব জুবিনৰ মৃত্যুৰ তদন্তঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত পণ্ডিত দীনদয়াল উপাধ্যায়ৰ ১০৯ সংখ্যক জন্মজয়ন্তী উপলক্ষে জন্মজয়ন্তী অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানৰ পূৰ্বে শিল্পী জুবিন গাৰ্গলৈ জনোৱা হয় শ্ৰদ্ধাঞ্জলি। এই অনুষ্ঠানত অংশগ্ৰহণৰ পাছত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মন্তব্য- জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্ত তন্ন তন্নকৈ হ'ব। এছআইটিৰ তদন্তত সন্তুষ্ট নহ'লে চিবিআইক দিয়া হ'ব জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্যৰ তদন্ত। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- আমাৰ দৃষ্টিভংগী স্পষ্ট। ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত কি ঘটনা হৈছিল সেয়া আমি বিচাৰি উলিয়াম। এইক্ষেত্ৰত কোনোধৰণৰ আপোচ নহ'ব। কিন্তু উৰাবাতৰি-বিভ্ৰান্তিকৰ বাতৰিয়ে সকলোকে ব্যতিব্যস্ত কৰি ৰাখিলে আচল ঘটনালৈ আমি যাব নোৱাৰিম। সেয়ে আমি সকলোৰে কিছুদিন এছআইটিক সহযোগ কৰা উচিত। যেতিয়া আমি অনুভৱ কৰিম যে এছআইটিয়ে ভালদৰে কাম কৰিব পৰা নাই, তেতিয়া এই তদন্ত চিবিআইলৈ পঠিয়াব পৰা যাব। সেয়েহে যথেষ্ট ধৈৰ্যসহকাৰে এই তদন্তলৈ অপেক্ষা কৰিব লাগিব, ভিছেৰা ৰিপ'ৰ্ট, মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন, ছিংগাপুৰৰ পৰা মানুহখিনিক ওভতাই আনিব লাগিব। ই এটা প্ৰক্ৰিয়াৰ মাজেৰে আগবাঢ়িব। কিন্তু কোনোবাই যদি তাৎক্ষণিকভাৱে ন্যায় বিচাৰে তেন্তে ন্যায়ালয়ত আমি ব্যৰ্থ হ'ম। কিয়নো ন্যায়ালয়ে আৱেগক নাচায়, প্ৰতিটো দিশৰ ( নপৃষ্ঠাত চাওক)

# ৰে'লৰ পৰা সফল পৰীক্ষণ 'অগ্নি প্ৰাইম' মিছাইলৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ওড়িশাৰ আব্দুল কালাম দ্বীপত ৰে'লৰ পৰা দেশীয়ভাৱে নিৰ্মিত অগ্নি প্ৰাইম মিছাইলৰ সফল পৰীক্ষণ কৰা হয়। ডিফেঞ্চ ৰিছাৰ্চ এণ্ড ডেভেলপমেন্ট অৰ্গেনাইজেচন, চমুকৈ ডিআৰডিঅ'ৰ দ্বাৰা বুধবাৰে নিশা অগ্নি প্ৰাইম মিছাইলৰ সফল পৰীক্ষণে দেশৰ প্ৰতিৰক্ষা খণ্ডক আৰু অধিক শক্তিশালী কৰি তুলিলে। ৰে'লৰ পৰা নিক্ষেপ কৰিব পৰা অগ্নি প্ৰাইম মিছাইলে চীন আৰু পাকিস্তানৰ অধিকাংশ অঞ্চলক সামৰি ল'ব পাৰিব। নে'ট জেনেৰেচন ক্ষেপণাস্ত্ৰ ছলমান লঞ্চিং পেডৰ পৰাই অগ্নি প্ৰাইমৰ পৰীক্ষণ কৰা হয়। সামৰিক ভাষাত এই ব্যৱস্থাটোক 'ৰেল বেছড ম'বাইল লঞ্চাৰ ছিষ্টেম' বুলি কোৱা হয়। চলন্ত ৰে'লৰ পৰা শত্ৰুপক্ষক আক্ৰমণ কৰি এই মিছাইলেৰে বিধ্বস্ত ( নপৃষ্ঠাত চাওক)

# অসমত কোনো ধৰণৰ অনুষ্ঠান আয়োজন কৰিব নোৱাৰিব শ্যামকানু মহন্তই



ৰঙিলী বাৰ্ত্তাসেৱা- ছিংগাপুৰত আয়োজিত নৰ্থ-ইষ্ট ফেষ্টিভেললৈ মাতি নি প্ৰাণৰ শিল্পী জুবিন গাৰ্গক মৃত্যুৰ মুখলৈ ঠেলি দিয়াৰ অভিযোগ উঠা শ্যামকানু মহন্তক অসমত 'ব্লেকলিষ্টেড' কৰাৰ সিদ্ধান্ত লৈছে অসম চৰকাৰে। ফেষ্টিভেল মহন্ত হিচাপে পৰিচিত হৈ পৰা শ্যামকানু মহন্তকে নহয়, এইজন সংস্কৃতিৰ দালালৰ সৈতে সম্পৰ্কিত যিকোনো সংস্থাক অসমৰ ভিতৰত কোনোধৰণৰ অনুষ্ঠান বা উৎসৱ অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। জুবিন গাৰ্গৰ অকাল বিয়োগ তথা প্ৰিয় শিল্পীগৰাকীক মঙলবাৰে চিৰবিদায় জনোৱাৰ শোকে প্ৰতিজন অসমীয়াক বিষাদগ্ৰস্ত কৰি ৰখাৰ সময়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্যামকানু মহন্তৰ ওপৰত আৰোপ কৰা এনে কঠোৰ নিষেধাজ্ঞাৰ কথা সদৰী কৰে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ৰাজ্য চৰকাৰে শ্যামকানু মহন্ত আৰু তেওঁৰ সৈতে সম্পৰ্কিত যিকোনো সংস্থাক অসমৰ ভিতৰত কোনোধৰণৰ অনুষ্ঠান বা উৎসৱ অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। তদুপৰি ৰাজ্য চৰকাৰেও মহন্তৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে যিকোনো অনুষ্ঠানৰ সৈতে জড়িত কোনো অনুষ্ঠানলৈ কোনোধৰণৰ আৰ্থিক অনুদান, বিজ্ঞাপন বা পৃষ্ঠপোষকতা প্ৰদান নকৰে। লগতে ৰাজ্য চৰকাৰে তেওঁক কোনোধৰণৰ আৰ্থিক সাহায্য বা পৃষ্ঠপোষকতা আগনবঢ়াবলৈ ভাৰত চৰকাৰকো অনুৰোধ জনাব। ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এই কঠোৰ সিদ্ধান্তৰ জৰিয়তে জুবিন গাৰ্গৰ মৃত্যুক লৈ উত্থাপিত অভিযোগ ( নপৃষ্ঠাত চাওক)

# অশ্ৰুসিক্ত নয়নেৰে জুবিন গাৰ্গক শেষ বিদায়



**বিশ্বজিৎ বৈশ্য, বংশৰ,শুৱালকুছি**

জনপ্ৰিয় কণ্ঠশিল্পী, হিয়াৰ আমঠু, নৱপ্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গ কেৱল এটা নামে নহয় ই আমাৰ প্ৰাণ। অসম আৰু অসমীয়াৰ বাবে জুবিন গাৰ্গ হৈছে এটা সত্বা। এটা কণ্ঠৰ নাম জুবিন, হাজাৰ জনক জগোৱা এটা আহ্বানৰ নাম জুবিন, এটি অনুষ্ঠানৰ নাম জুবিন। কিন্তু আজি সেই শিল্পীগৰাকীয়েই অগণন গুণমুগ্ধক কন্দুৱাই চিৰদিনৰ বাবে বিদায় মাগিলে এই সংসাৰৰ পৰা। কোনোৱে কেতিয়াও অপেক্ষা কৰা নাছিল এনেকুৱা নভৱা দিন এটা যে আহিব। জুবিনৰ বাবে নিজৰ প্ৰাণটোকো বিসৰ্জন দিব পৰা অসমীয়া ৰাইজে আজি চকুলো টুকিবলগীয়া হৈছে শিল্পীগৰাকীৰ অকাল মৃত্যুৰ খবৰত। কি নাছিল জুবিন গাৰ্গ? একাধাৰে কণ্ঠশিল্পী, সুৰকাৰ, গীতিকাৰ, অভিনেতা, পৰিচালক,আবৃত্তিকাৰ..সকলোৰে বাবে মানৱ দৰদী ব্যক্তিত্বৰ অধিকাৰী। কাৰোবাৰ অসহায় অৱস্থাই বাৰুকৈয়ে কন্দুৱাইছিল তেওঁক। কাক কিমান ধৰণে যে জুবিন গাৰ্গে সহায় কৰিছিল সেয়া কৈ শেষ কৰিব নোৱাৰি। জুবিন গাৰ্গৰ জন্ম হৈছিল ১৯৭২ চনৰ ১৮ নৱেম্বৰত মেঘালয়ৰ তুৰাত। তেওঁৰ পিতৃ হৈছে কপিল বৰঠাকুৰ আৰু মাতৃ স্বৰ্গীয় ইলি বৰঠাকুৰ। তেওঁলোকৰ মূল ঘৰ আছিল শিৱসাগৰ জিলাৰ জাঁজীত। কৰ্মসূত্ৰে দেউতাক আছিল মেজিষ্ট্ৰেট। সেয়েহে চাকৰিৰ খাতিৰত বিভিন্ন ঠাইত ঘূৰি ফুৰিব লগীয়া হৈছিল তেওঁলোকৰ পৰিবাৰ। তামুলপুৰত স্কুলীয়া শিক্ষা সাং কৰাৰ পাছত জুবিন গাৰ্গে গুৱাহাটীৰ বি বৰুৱা মহা-বিদ্যালয়ত অধ্যয়ন কৰিছিল। তেওঁৰ কাহিনী লিখি শেষ কৰিব নোৱাৰি। প্ৰাণৰ এই শিল্পী-গৰাকীক হেৰুৱাই আজি উকা হৈ পৰিছে অসমীয়াৰ হৃদয়। সকলো আজি ম্ৰিয়মাণ, ক'বলৈ একো ভাষা নাই । জুবিনক এনেদৰে হেৰুৱাই আজি একপ্ৰকাৰ শূন্য হৈ পৰিছে অসমে। কেতিয়াও ভাগৰি নপৰা সকলোৰে মৰমৰ 'জুবিনদা' চিৰদিনৰ বাবে গুচি গ'ল গৈ অচিন দেশলৈ কিন্তু থাকি গ'ল সকলোৰে অন্তৰত। অসম আৰু অসমীয়াৰ সংস্কৃতিৰ ভঁড়াল চহকী কৰা প্ৰাণৰো প্ৰাণ বুকুৰ আপোন জুবিন গাৰ্গে ললে শেষ বিদায়। সোণাপুৰতে চিৰদিনৰ বাবে জিৰণি ল'লে আমাৰ মৰমৰ জুবিনে । তুৰাৰ পৰা আৰম্ভ কৰি তামুলপুৰ, যোৰহাট, গুৱাহাটী, মায়ানগৰী মুম্বাইলৈ বৰ্ণিল জীৱনৰ অন্ত পেলাই সোণাপুৰৰ কমাৰকুছিত চিৰদিনৰ বাবে শুই পৰিল আমাৰ জুবিন গাৰ্গে। "জীৱন দুদিনীয়া আহে ও যায় " গোৱা এই মহান শিল্পী গৰাকী সদায় আমাৰ মাজত জীয়াই থাকক, তাৰেই কামনা কৰিলো।

# শেষ মানে জানো শেষ হয়



**মীৰা কোঁৱৰ**

এতিয়া যে তুমি উশাহ মাজত
বতাহৰ গতিত
তুমিয়েই তেজৰ কণিকা
তুমি যে ধমণী
বৈ আছা অসমীয়া জাতি প্ৰাণত
থাকিবা অনাদি অনন্ত কাল----
শেষ মানে জানো শেষ হয়
কেনেকৈ শেষ হ'ব সেই গান
মৃত্যু জিনা গান
জাতিক জিনা গান
ধৰ্মক জিনা গান
শেষ হ'ব কেনেকৈ
অসমীয়া জাতি স্বভিমান
তোমাৰ লগতে আৰম্ভ হোৱাৰ
জুইত জ্বলি আছে এতিয়াও
প্ৰত্যেক জন অনুৰাগী মান
শেষ মানে শেষ নহ'ল
তোমাৰ পাৰ্থিব শৰীৰৰ অংগ সমূহ
জ্বলি চাই হৈ গ'ল
অসমীয়া জাতি চোতাল এতিয়াও জ্বলি ৰ'ল
জ্বলি জ্বলি আছে এতিয়াও
হাজাৰ হাজাৰ জনতা
তোমাৰেই ন্যায় আশাত।

# দুৰ্গা পূজা আৰু প্ৰদূষণ



**নিবেদিতা হাজৰিকা, লখিমপুৰ**

হিন্দু সম্প্ৰদায়ৰ বৃহত্তৰ ধৰ্মীয় আৰু সামাজিক উৎসৱ হৈছে দুৰ্গাপূজা বা দুৰ্গোৎসৱ। আহিন মাহৰ শুক্ল পক্ষৰ ষষ্ঠীৰ পৰা এই পূজা পালন কৰা হয়।

জগতৰ মংগল কামনা কৰি আয়োজিত শাৰদীয় দুৰ্গোৎসৱৰ দশমীৰ দিনা আহি পৰে দেৱী বিসৰ্জনৰ সময়। ৰং-চঙীয়া দেৱী মূৰ্তি বিসৰ্জন দিয়া হয় নদী অথবা বিলত। ই এক পৰম্পৰা। কিন্তু অসুৰ ৰূপী ঋণাত্মক শক্তিক দমন কৰি ধনাত্মক বাৰ্তা বিলাবলৈ আৰাধনা কৰা দেৱী মূৰ্তিৰ এনে বিসৰ্জনে কঢ়িয়াই আনে জীৱকুলৰ প্ৰতি ভাবুকি। বিসৰ্জন থলীত মানুহৰ অতিমাত্ৰা কোলাহল, থেলা-হেঁচা আৰু বিসৰ্জনৰ পাছত নদীত প্ৰতিমা বিসৰ্জনৰ ফলত হোৱা জাৱৰ-জোথৰৰ দ'ম আদিয়ে বোৱতী নদীৰ গতিত বাধাৰ সৃষ্টি কৰাৰ উপৰিও এনে নদীৰ পৰা পানী খোৱা লোক তথা জীৱকুললৈও ভাবুকি সৃষ্টি কৰিছে।

উৎসৱ কেন্দ্ৰিক প্ৰদূষণে আমাৰ চৌপাশৰ প্ৰাকৃতিক আৰু সামাজিক পৰিৱেশৰ ওপৰত পেলোৱা নেতিবাচক প্ৰভাৱ সমূহৰ কথা ভাবি চোৱাৰ সময় আহি পৰিছে। কিয়নো এই সমূহে আমাৰ চৌপাশৰ প্ৰাকৃতিক আৰু সামাজিক পৰিৱেশ ব্যাপক মাত্ৰাত কলুষিত কৰি তুলিছে।

দুৰ্গাপূজা মানেই আজিৰ সময়ত বিৰাটাকায় ব্যৱসায়। অপ্ৰিয় হ'লেও সত্য যে বৰ্তমান সময়ত পূজা-সেৱা আৰু ধৰ্মীয় আচৰণ আদিৰ ফলতো প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হ'ব ধৰিছে। আগৰ দিনৰ সেই আধ্যাত্মিক ভাৱৰ পূজাৰ ঠাই ল'লে বাহ্যিকতাই। পূজা মণ্ডপৰ সংখ্যা বাঢ়িল। জাকজমকতাই অধিক গুৰুত্ব লাভ কৰিব ধৰিলে। পূজাৰ থলিত DJ বক্সৰ অতিমাত্ৰা শব্দৰ গুমগুমনি। কাণ তাল মৰা শব্দৰ সমাহাৰ।উচ্চ স্বৰত বজোৱা মাইক, বন্দুক -বাৰুদ, ব'ম, ফটকা, পেঁপাৰ কাণ তাল মৰা শব্দ সমূহে শব্দ প্ৰদূষণৰ সৃষ্টি কৰি বহুতকে বিপাঙত পেলায়। পূজা বুলিলেই ব্যৱহৃত অলেখ -অসংখ্য বিজুলী চাকি, উচ্চ গ্ৰামৰ সংগীত, বিলাসী মণ্ডপৰ ধামখুমীয়াত আটাইতকৈ অপচয় হয় বিজুলী শক্তিৰ। ফলত পৰোক্ষ ভাৱে ই প্ৰকৃতিৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়।

উৎসৱৰ আনন্দত মচগুল হৈ প্ৰকৃতি আৰু মানুহৰ মাজত থকা সেই নিবিড় সম্পৰ্কৰ কথা পাহৰি প্ৰকৃতি আৰু মানুহৰ সম্পৰ্কলৈ যি প্ৰৱল প্ৰত্যাহ্বান নমাই আনিছে, জীৱ কূললৈ অশনি সংকেত কঢ়িয়াই আনিছে এই সমূহ ৰোধৰ সময় আহি পৰিছে। উৎসৱৰ বতৰত প্ৰকৃতিৰ এই দুৰ্গতি নোহোৱা কৰিবলৈ প্ৰয়োজন সাপেক্ষে প্ৰচলিত ৰীতি-নীতিৰ সময় - সাপেক্ষে সংশোধন বা পৰিমাৰ্জনত গুৰুত্ব আৰোপ কৰা উচিত।

উৎসৱ মানেই হৈছে আনন্দৰ মেলা। ই এক ধৰ্মীয় অধিকাৰো। সেয়ে ইয়াক উদ্‌যাপন কৰাৰ পূৰ্ণ অধিকাৰ সকলোৰে আছে। কিন্তু সেই আনন্দই যাতে আনৰ অপকাৰ নকৰে বা আনন্দ বিঘ্নিত নকৰে সেই কথাৰ প্ৰতি সজাগ আৰু সচেতন হ'ব লাগিব। অন্যথা পূজাৰ আনন্দই প্ৰকৃতিৰ যি অনিষ্ট সাধন কৰিছে ইয়াৰ প্ৰভাৱ মানৱ জাতিৰ ওপৰতো পৰিব। জীৱকূল আৰু প্ৰকৃতিৰ মাজত এক নিবিড় সম্পৰ্ক আছে। সেয়ে পূজাৰ আনন্দত মতলীয়া হৈ সেই কথা পাহৰি যোৱা উচিত নহয়।



ভাৰত এখন উন্নয়নশীল কল্যাণকামী দেশ; কিন্তু জনসংখ্যাৰ এক বৃহৎ অংশ আজিও পুষ্টিহীনতাত ভুগি আছে। শিশু আৰু মাতৃৰ পুষ্টিগত স্থিতি সমাজৰ সামগ্ৰিক অৰ্থনীতি আৰু মানৱ সম্পদৰ গুণগত মানৰ সৈতে ওতঃপ্ৰোতভাৱে সম্পৰ্কিত। এক সুপুষ্টিত, স্বাস্থ্যৱান আৰু উৎপাদনশীল সমাজ এখন বিকশিত ৰাষ্ট্ৰৰ মূল আধাৰ। কিন্তু দুঃখৰ বিষয় হৈছে,

# যুগ নায়কৰ মহা প্ৰয়াণ



**যমুনা দুলু বৈশ্য, শুৱালকুছি**

সাগৰৰ গভীৰ চিৰ নিদ্ৰাত
সকলোকে কন্দোৱাই
গুচি গ'লা চিৰদিনলৈ,
হে মহান শিল্পী,
তোমাৰ সত্তা আৰু সময়ৰে
মিঠা কণ্ঠেৰে মোহি গ'লা
বুকুৰে, বুকুৰে, দি গ'লা
মানৱতাৰ জয়গান!!
তোমাৰ সৃষ্টি অক্ষয়, অমৰ
এই পৃথিৱী থকালৈকে, অনুৰাগীৰ
হৃদয়ে, হৃদয়ে জিলিকি বাজি থাকিব
তোমাৰ সুৰৰ ঝংকাৰ,
ক'ত দুখীয়াৰ অসহায় দুখীজনৰ
আছিলা বুকুৰ আপোন,
পশু-পক্ষীকো ঢালি দিছিলা
স্নেহ-আৰু মৰম,
শত সহস্ৰ জনৰ অশ্ৰুৰ বন্যাৰে
আকাশে, বতাহে যে আজি স্তব্ধ,
হে মানৱ উদাৰ বিশাল দৰদী ---
জুবিন গাৰ্গ, সকলোৰে দুচকুত
অশ্ৰু সিক্ত হৈ উচুপিছে,
চকুৰ পানী সাগৰ হৈ বৈছে
এবাৰ চোৱা দেশবাসীক
তুমি অবিহনে ---
প্ৰতিজনৰ স্পন্দনত অনুভৱি মনে
কৈছে ---কেৱল শূন্যতা মাথো যন্ত্ৰাণা দায়ক
কোনোদিন উভতি নহা বাটে গমন কৰিলা,
হে, মহান শিল্পী --
একাঁজলী ভক্তি অঞ্জলিৰে
যাঁচিলো শ্ৰদ্ধাঞ্জলি ।

**ৰাষ্ট্ৰীয় পোষণ মাহ-২০২৫**

**দ্বীপেন বৰুৱা, চৰাইদেউ**

# পুষ্টিহীনতামুক্ত ভাৰত গঢ়াৰ এক সমন্বিত পদক্ষেপ

ভাৰতত আজিও পুষ্টিহীনতা, ৰক্তাহীনতা, শিশুৰ নিম্ন উচ্চতা (Stunting), মেদবহুলতা (Obesity) আদি সমস্যাসমূহ বহুলভাৱে দেখা যায়। পঞ্চম ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ (NFHS-5) অনুসৰি ভাৰতত ৫ বছৰৰ ভিতৰৰ প্ৰায় ৩৫% শিশু নিম্ন উচ্চতা সমস্যাত ভুগে আৰু প্ৰায় ১৯% শিশুৰ মেদবহুলতাৰ সমস্যা ধৰা পৰে। এই সমস্যাসমূহে দেশৰ অৰ্থনৈতিক বিকাশ, জনশক্তিৰ গুণগত মান আৰু সমাজৰ সামগ্ৰিক অগ্ৰগতিত বাধাৰ সৃষ্টি কৰে।

এই প্ৰেক্ষাপটত ২০১৮ চনৰ পৰা প্ৰতি বছৰৰ ছেপ্তেম্বৰ মাহত পোষণ অভিযানৰ অধীনত "ৰাষ্ট্ৰীয় পোষণ মাহ" উদযাপন কৰি অহা হৈছে। ভাৰত চৰকাৰৰ মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ অধীনত উদযাপিত পোষণ মাহত মূলতঃ সমাজত পুষ্টি সম্পৰ্কীয় জ্ঞান আৰু আচৰণগত পৰিৱৰ্তন ঘটাবলৈ প্ৰয়াস কৰা হয়। ইয়াৰ মূল লক্ষ্য হৈছে পুষ্টি সম্পৰ্কে সজাগতা বৃদ্ধি, সঠিক খাদ্যাভ্যাস গঢ়ি তোলা, মাতৃ-শিশুৰ পুষ্টি উন্নয়ন আৰু সমাজৰ সক্ৰিয় অংশীদাৰিত্ব নিশ্চিত কৰা। তথ্য অনুসৰি এতিয়ালৈকে আয়োজিত সাতটাকৈ পোষণ মাহত এশ কোটিৰো অধিক পুষ্টি-কেন্দ্ৰিক জনসচেতনতামূলক কাৰ্যকলাপ আয়োজিত হৈছে। এইসমূহ জন-আন্দোলনে পুষ্টিহীনতামুক্ত ভাৰত নিৰ্মাণত বিশেষ ভূমিকা লৈছে।

২০২৫ বৰ্ষত ৰাষ্ট্ৰীয় পোষণ মাহ উদযাপনৰ অষ্টম বৰ্ষত উপনীত হৈছে। বিগত বৰ্ষসমূহত ১ ৰ পৰা ৩০ ছেপ্তেম্বৰলৈ এই মাহ পালন কৰা হৈছিল যদিও এইবৰ্ষত ১৭ ছেপ্তেম্বৰৰ পৰা ১৬ অক্টোবৰলৈকে পোষণ মাহ উদযাপনৰ সিদ্ধান্ত লৈছে। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ১৭ ছেপ্তেম্বৰত মধ্যপ্ৰদেশৰ ধাৰ জিলাৰপৰা অষ্টম ৰাষ্ট্ৰীয় পোষণ মাহ তথা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ অধীনত সুস্থ নাৰী, শক্তিশালী পৰিয়াল অভিযান (Swasth Naari, Sashakt Parivaar Abhiyaan) শীৰ্ষক এক বৃহৎ কাৰ্যসূচী একেলগে শুভাৰম্ভ কৰে। এই দুয়োটা কাৰ্যসূচী একেলগে আৰম্ভ হোৱাটো এক মহৎ সুযোগ, যাৰ জৰিয়তে পুষ্টি আৰু স্বাস্থ্য দুয়ো ক্ষেত্ৰতে দীৰ্ঘস্থায়ী ইতিবাচক প্ৰভাৱ পৰিব। ইয়াৰ ফলত মাতৃ স্বাস্থ্য আৰু শিশুৰ পুষ্টি একেলগে সমাধান হ'ব। কিশোৰীসকলৰ পুষ্টি আৰু ৰক্তহীনতা হ্ৰাসৰ বাবে দ্ৰুত পদক্ষেপ গ্ৰহণ কৰিব পাৰিব। সঠিক পুষ্টি আৰু সুস্বাস্থ্যৰ জৰিয়তেহে যে এক শক্তিশালী পৰিয়াল গঢ় দিব পাৰি, এই ধাৰণাক অধিক সুদৃঢ় কৰিব।

পোষণ মাহ উদযাপনৰ সময়ছোৱাত চৰকাৰৰ মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ লগতে অন্যান্য কাৰ্যকৰী বিভাগ তথা সংস্থাসমূহে অংগনবাড়ী কৰ্মী, আশা কৰ্মী, এএনএম আদিৰ জৰিয়তে কাৰ্যসূচীসমূহ সম্পন্ন কৰি সমগ্ৰ মাহটোত পৰিপুষ্টিৰ প্ৰয়োজনীয় বাৰ্তাসমূহ প্ৰচাৰ কৰিবলৈ যত্ন কৰে। প্ৰতিবছৰে পোষণ মাহ উদযাপন কৰিবলৈ কিছুমান নিৰ্দিষ্ট বিষয়বস্তু নিৰ্বাচিত কৰে। এইবৰ্ষত মন্ত্ৰালয়ে ছটাকৈ অতি গুৰুত্বপূৰ্ণ বিষয় নিৰ্দ্ধাৰণ কৰিছে। এই মূল বিষয়বস্তুসমূহ হ'ল- মেদবহুলতা নিয়ন্ত্ৰণ (Addressing Obesity), স্থানীয় সম্পদৰ সদ্ব্যৱহাৰ (Vocal for Local), শিশুৰ প্ৰাক-প্ৰাথমিক শিক্ষা আৰু যতন (Early Childhood Care and Education), অভিসৰণমূলক কাৰ্যসূচী আৰু ডিজিটাইজেচন (Convergent Action and Digitization), নৱজাত শিশুৰ খাদ্যাভ্যাস (Infant and Young Child Feeding Practices) আৰু পুৰুষৰ অংশীদাৰিত্ব (Men-Streaming)। এই বিষয়কেইটাকে মূল লক্ষ্য হিচাবে লৈ বিভিন্ন সজাগতা কাৰ্যসূচীসমূহ হাতত লৈছে। অৱশ্যে প্ৰতিখন জিলা আৰু প্ৰকল্প পৰ্যায়ত নিজস্ব চিন্তা আৰু পৰিকল্পনাৰে কিছু উদ্ভাৱনীমূলক কাৰ্যসূচীও ৰূপায়ন কৰা দেখা যায়। এনেদৰে স্থানীয় সমস্যাসমূহৰে মোকাবিলা কৰি সমাজৰপৰা পুষ্টিহীনতা দূৰ কৰাৰ প্ৰয়াস কৰা হয়।

সম্প্ৰতি মেদবহুলতা এটা ডাঙৰ শাৰিৰীক সমস্যা হিচাপে চিহ্নিত হৈছে। পঞ্চম ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ অনুসৰি ভাৰতত ২০-২৪% প্ৰাপ্তবয়স্ক মহিলা আৰু ১৯% পুৰুষ অতিভোজনজনিত মেদবহুলতাৰ সমস্যাত ভুগিছে। কেৱল প্ৰাপ্তবয়স্কসকলেই নহয়, শিশুসকলো এই সমস্যাত ভুক্তভোগী হৈছে। এটা সুস্থ জীৱন লাভৰ বাবে ওজন নিয়ন্ত্ৰণ কৰাটো অতি গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত অভিভাৱকসকল সচেতন হোৱাটো খুবেই জৰুৰী। শিশুৰ মেদবহুলতাৰ অন্যতম কাৰণ হৈছে তেওঁলোকৰ খাদ্যাভ্যাস। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে, অতিৰিক্ত চেনি, নিমখ আৰু তেলৰ সেৱনে হৃদৰোগ, ডায়েবেটিছ আৰু উচ্চ ৰক্তচাপৰ দৰে অসংক্ৰামক ৰোগ বঢ়াই তোলে। বৰ্তমান সময়ত বহু শিশুৱেই পেকেটজাত খাদ্য খায় যাৰ ফলত তেওঁলোকৰ ওজন বৃদ্ধি হয়। সেয়েহে, অভিভাৱকসকলে তেওঁলোকৰ সন্তানৰ ভুল খাদ্যাভ্যাসৰ প্ৰতি মনোযোগ দিয়া উচিত। এইবৰ্ষৰ পোষণ মাহত স্বাস্থ্যকৰ আহাৰৰ প্ৰচাৰ, কম চেনি থকা খাদ্যসামগ্ৰী, পেকেটজাত খাদ্যৰ সীমিত ব্যৱহাৰ আৰু জনসচেতনতা বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

অষ্টম ৰাষ্ট্ৰীয় পোষণ মাহত "Vocal for Local" বিষয়টোক বিশেষ গুৰুত্ব সহকাৰে লোৱা হৈছে। ইয়াৰ অৰ্থ হ'ল স্থানীয় খাদ্য উৎপাদন, স্থানীয় সম্পদৰ সদ্ব্যৱহাৰ আৰু গাঁওমুখী উদ্যোগক প্ৰচাৰ কৰি পুষ্টি সুৰক্ষা আৰু অৰ্থনৈতিক আত্মনিৰ্ভৰশীলতা নিশ্চিত কৰা। ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থা (Food and Agriculture Organization)ৰ মতে স্থানীয় খাদ্য ব্যৱস্থা কেৱল পুষ্টি পূৰণত সহায় কৰা নহয়, ই খাদ্যৰ প্ৰাপ্যতা, মান আৰু সাংস্কৃতিক বৈচিত্ৰ্য সংৰক্ষণতো গুৰুত্বপূৰ্ণ। স্থানীয়ভাৱে উৎপাদিত শাক-পাচলি, দুগ্ধজাত সামগ্ৰী তথা ঔষধি গুণসম্পন্ন খাদ্যসামগ্ৰীসমূহে গাঁওবাসীৰ পুষ্টি প্ৰয়োজন পূৰণ কৰাৰ লগতে খাদ্য নিৰাপত্তা নিশ্চিত কৰে।

এইবৰ্ষৰ পোষণ মাহত শিশুৰ প্ৰাক-প্ৰাথমিক শিক্ষা আৰু যতন নাইবা "পোষণ ভী, পঢ়াই ভী" এটি অন্যতম বিষয়বস্তু। কেন্দ্ৰীয় চৰকাৰে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত শিশুৰ শিক্ষাৰ গুণগত মানদণ্ড শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে যাতে প্ৰতিগৰাকী শিশুৱে শিক্ষাৰ সঠিক ভেটি স্থাপন কৰিব পাৰে। ইয়াৰ জৰিয়তে

( ছয় পৃষ্ঠাত চাওক)

# শৰৎ মানেই শাৰদীয়

অনামিকা(সংগীতা) কলিতা, গুৱালকুছি



প্ৰকৃতিৰ ছটা ঋতুৰ ভিতৰত শৰৎ ঋতু অন্যতম । শৰত মানেই শাৰদীয় অনুভৱ।

শাৰদীৰাণী তোমাৰ অম্লান
দেহাটিৰ সুবাসত
নিয়ৰে চুমা যাছে শুভ্ৰ আঁচলত।

এক কুঁৰলি আভা বিয়পি পৰে ধৰা বুকুলৈ। প্ৰভু শ্ৰীৰাম চন্দ্ৰই ৰাৱণক বধ কৰাৰ নিমিত্তে দেৱী দুৰ্গাক শাৰদীয় শৰত ঋতুত পূজা ভাগ আয়োজন কৰিছিল বুলি ধৰ্ম গ্ৰন্থত লিখা আছে। সেই নিয়মমতে শৰত কালতে দুৰ্গা পূজা অনুষ্ঠিত হয়। শাৰদীয় শৰতৰ আৰু শেৱালি ফুল এক নিবিড় সম্পৰ্ক আছে। সেই কাৰণে শেৱালি ফুল দুৰ্গা পূজাত ব্যৱহাৰ হয়।

শৰতৰ সময়তে ধৰাৰ বুকুলৈ শৈলপুত্ৰী, ব্ৰহ্মচাৰিণী, চন্দ্ৰঘন্টা, কুষ্মাণ্ডা, স্কন্দমাতা, কাত্যায়নী, কালৰাত্ৰি, মহাগৌৰী, সিদ্ধিদাত্ৰী দেৱী দুৰ্গা মাৰ নটা ৰূপত আগমণ হয়।

শৰতৰ বাবেই দুবৰিয়ে মুকুতা পিন্ধে। টোপ টোপ নিয়ৰ সৰে শেৱালিৰ সুবাসত। দুবৰিৰ পদুলি গছকি শৰৎ সোমায়। সকলো ঋতুৰ ভিতৰত অন্যতম স্থান পাইছে ঋতুৰাণী শৰতে। শৰতক আদৰণি জনাবই লাগিব।

শৰত আহিলে আকাশৰ বুকুত জোনাকৰ ধেমালি হয়। শৰতৰ আগমনে উলাহতে প্ৰাণ পাই উঠে মৃত শিল্পী, হাতত তুলি লয় তুলিকা প্ৰাণ পাই উঠে মৃন্ময়া প্ৰতিমা। কোমল শেৱালি জোনাক নিশা শিল্পীৰ হাতৰ পৰশত বিশ্বকৰ্মা, লক্ষ্মী মা, মা কালী অনেক দেৱ -দেৱীৰ প্ৰতিমা প্ৰাণ পাই উঠে। শিল্পীৰ হাতত অহৰহ চলি থাকে ৰং তুলিকা, ভাগৰৰ কথা নাই দুখ নাই।

শৰতৰ মানেই উৎসৱৰ মেলা- ফুলজাৰী, আতচবাজী, পোছাকৰ পয়োভৰ। পুতলা, পিষ্টল ইত্যাদি। শৰত মানেই হিমকণাৰ মুকুতা, শেৱালি, কঁহুৱা সমাহাৰ। শৰতৰ উৎসৱ বুলিলেই মেলাৰ সমাহাৰ চাৰিওফালে দোকানবোৰত জিলাপী আৰু বুন্দীয়াৰ লাড়ু। চৌপাশে কেৱল মিঠা মিঠা হাঁহি আনন্দৰ মেলা।

শৰৎ যিদৰে আহে এদিন গুচিও যায় সংগোপনে। সিঁচি থৈ যায় মুঠি মুঠি সুবাস। মনত পৰে শৈশৱৰ নষ্টালজিয়া নিয়ঁৰ সনা দুবৰি গছকি, তলসৰা শেৱালি বুটলি গাঁঠি ছিলো মালা। শৰতৰ সময়ত ঢেওঁ তুলি নাচি থকা কঁহুৱা বোৰ চাবলৈ আমি সকলো সমনীয়াৰ সৈতে নদীৰ ঘাটলৈ ফুৰিব যোৱা।

শৈশৱৰ মধুৰ স্মৃতি বোৰ যে এতিয়াও হৃদয়ত খোদিত হৈ আছে। শৰতৰ আগমণৰ লগে লগে "দুৰ্গা পূজাৰ" বতৰা কঢ়িয়াই আনে, আমিও ব্যস্ত হৈ পৰিছিলো কি পিন্ধিম কেনেকৈ পূজা চাবলৈ যাম, সেইবোৰ আলোচনা কৰি আমাৰ চোতালত উমলিছিলো। আহঃ কি যে সুন্দৰ দিন আছিল। পদধ্বনি জগাই প্ৰকৃতিক "শৰৎ" ঋতু নহয় আমাৰ এক হৃদয়ৰ আবেগ।

# এটি সূৰ্যৰ দৰেই



বন্দনা চৌধুৰী, নতুন দিল্লী

তেওঁ এজন স্ৰষ্টা
তেওঁ এজন শিল্পী
মানৰ প্ৰেমেৰে পৰিপুষ্ট
প্ৰতিজন অনুৰাগীৰ
হৃদয়ত বাস কৰে
এক নতুন আশা হৈ
প্ৰতিজন ৰোগী কিম্বা
ছাত্ৰ-ছাত্ৰীৰ মাজত
সাহস হৈ থিয় দি
মহানুভৱতাৰ পৰিচয় দিয়ে
একমাত্ৰ তেওঁৰেই
প্ৰকৃতি প্ৰেমীও তেওঁ
শাসকৰ অত্যাচাৰ, উৎপীড়ন
আৰু প্ৰৱঞ্চনাৰ বিৰুদ্ধে
জনতাৰ লগত ৰাজপথলৈ
ওলাই আহি প্ৰতিবাদ কৰে
একমাত্ৰ তেওঁৰেই
অসমৰ জ্বলন্ত সমস্যা
গানৰ মাজেদি তুলি ধৰি
এক শক্তিশালী কণ্ঠস্বৰ
কেৱল তেওঁৰেই হয়
জাতিটোৰ প্ৰতি আৱেগ
অনুৰণিত হয় তেওঁৰেই কণ্ঠত
জুবিন মানেই এক প্ৰতিবাদী কণ্ঠ
এই কণ্ঠ সকলোৰে হৃদয়ত
এটি সূৰ্যৰ পোহৰৰ দৰেই
প্ৰকাশিত হৈ ৰওঁক
নতুন নতুন আশাৰ সন্ধানত
প্ৰতি গৰাকী অসমীয়াৰ হৃদয়ত---

# পুষ্টিহীনতামুক্ত ভাৰত গঢ়াৰ

শিশুসকলক সোনকালে শিকাৰ সুবিধা প্ৰদান কৰা হয়। প্ৰায় তিনিবছৰ সম্পূৰ্ণ হোৱাৰ লগে-লগেই এটি শিশু অংগনবাড়ী কেন্দ্ৰত অন্তৰ্ভুক্ত হোৱাৰ পাছত শিশুটিৰ প্ৰাক-প্ৰাথমিক শিক্ষাৰ আৰম্ভণি হয়। ইয়াত শিশুৰ সৰ্বাংগীন বিকাশৰ লগতে শিশুক এটি সুৰক্ষিত পৰিৱেশ প্ৰদান কৰে য'ত শিশুয়ে খেল-ধেমালিৰ মাজেদি শৈক্ষিক ক্ৰিয়া-কলাপৰ বিভিন্ন সুবিধা লাভ কৰে। পোষণ মাহত অংগনৱাড়ী কেন্দ্ৰসমূহত খেলা-ভিত্তিক শিক্ষা, গল্পপাঠ, সংখ্যা-পৰিচয় আৰু স্বাস্থ্যকৰ আহাৰৰ অভ্যাস প্ৰৱৰ্তন কৰাৰ প্ৰস্তাৱ আছে। পুষ্টি আৰু শিক্ষা একেলগে প্ৰদান কৰি শিশুৰ শাৰীৰিক তথা মানসিক বিকাশ সাধনেই এক গুৰুত্বপূৰ্ণ উদ্দেশ্য।

অভিসৰণমূলক কাৰ্যসূচী আৰু ডিজিটাইজেচন হৈছে চলিত পোষণ মাহৰ আন এক উল্লেখযোগ্য কাৰ্যসূচী। আমাৰ জ্ঞাত যে পুষ্টি এটা বহু-পৰিসৰীয় বিষয়। স্বাস্থ্য, শিক্ষা, সামাজিক সুৰক্ষা, কৃষি আদি প্ৰতিটো ক্ষেত্ৰ একেলগে কাম কৰিলেহে সঠিক পুষ্টিৰ লক্ষ্যত উপনীত হ'ব পৰা যাব। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে অকলশৰীয়াকৈ সমাজৰ পুষ্টিহীনতাৰ দৰে এটি জটিল সমস্যাক সমাধান কৰিব নোৱাৰে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিখন চৰকাৰে বিভিন্ন আঁচনিও ৰূপায়ন কৰি আহিছে। এই বিভাগীয় আঁচনিৰ সেৱাসমূহ বৰ্তমান পোষণ ট্ৰেকাৰ এপ (POSHAN Tracker Application)ৰ দৰে ডিজিটেল মাধ্যমে সময় উপযোগী আৰু সম্পূৰ্ণ ডিজিটেল ব্যৱস্থাৰ মাধ্যমেৰে নিৰীক্ষণ কৰে। ইয়াৰ ফলত অংগনবাড়ী কৰ্মীসকলে তেওঁলোকে প্ৰতিদিনে আগবঢ়োৱা সেৱাসমূহৰ খতিয়ান তাৎক্ষণিকভাৱে দাঙি ধৰিবলৈ সক্ষম হৈছে আৰু সকলোবোৰ তথ্য জিলা, ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত সঠিক সময়ত পাব পৰাকৈ সম্ভৱ হৈছে।


শিশুক জন্মৰ প্ৰথম ছমাহ কেৱল মাতৃদুগ্ধ খুৱাব লাগে। কিন্তু ছমাহ সম্পূৰ্ণ হোৱাৰ পাছত দুবছৰলৈকে শিশুৰ শাৰীৰিক প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি মাতৃদুগ্ধৰ লগতে কিছু অন্য খাদ্য খুৱাব যাক পৰিপূৰক আহাৰ বুলি কোৱা হয়। পৰিতাপৰ কথা যে পঞ্চম ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ অনুসৰি ভাৰতত ছমাহৰ অন্তৰ্গত কেৱলমাত্ৰ মাতৃদুগ্ধ খুওৱা শিশুৰ অনুপাত ৬৪%। শিশুৰ পুষ্টিহীনতাৰ মূল কাৰকসমূহৰ ভিতৰত এই অনিয়মীয়া খাদ্যাভ্যাসৰ প্ৰচলন অন্যতম। সেয়েহে, এইবৰ্ষৰ পোষণ মাহত মাতৃদুগ্ধৰ গুৰুত্ব, পৰিপূৰক আহাৰ, পুষ্টিকৰ খাদ্য, পৰিষ্কাৰ-পৰিচ্ছন্নতা আদি দিশসমূহৰ ওপৰত প্ৰশিক্ষণ আৰু সচেতনতা বৃদ্ধি কৰা হৈছে। সমান্তৰালভাৱে পুষ্টি সম্পৰ্কীয় কাৰ্যসূচীসমূহত পুৰুষৰ অংশগ্ৰহণ নিশ্চিত কৰিবলৈও বিভিন্ন পদক্ষেপ লোৱা হৈছে। এনে কাৰ্যসূচী সাধাৰণতে মহিলা আৰু শিশুক কেন্দ্ৰ কৰি কৰা হয়। কিন্তু দেখা যায় যে বেছিসংখ্যক পৰিয়ালত সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত পুৰুষৰ ভূমিকাই চূড়ান্ত হয়। সেয়েহে, পুৰুষসকল সক্ৰিয় হ'লে সমাজত সচেতনতা দ্ৰুতভাৱে বৃদ্ধি পাব। পুষ্টি সম্পৰ্কীয় সজাগতামূলক আলোচনাত পুৰুষ তথা পিতৃৰ সচেতন অংশগ্ৰহণে মাতৃ-পুষ্টি, গৰ্ভাৱস্থাৰ যত্ন, শিশুৰ মাতৃদুগ্ধ সেৱন আদি বিষয়ত সহায়ক হয়। গতিকে, এই পোষণ মাহত পুৰুষৰ অংশীদাৰিত্বক এটি বিষয়বস্তুৰ মাধ্যমেৰে পুৰুষক পুষ্টি-আন্দোলনত সম্পৃক্ত কৰাৰ প্ৰয়াস কৰা হৈছে।

উপসংহাৰঃ পোষণ মাহ সুপুষ্টিত ভাৰত গঢ়াৰ এক আধাৰভূমি। ই কেৱলমাত্ৰ এটা "মাহ" উদযাপন নহয়; ই হ'ব লাগিব এক দীৰ্ঘস্থায়ী জন আন্দোলন, যাৰ লক্ষ্য পুষ্টিহীনতাৰ মূল সমস্যাক সমাধান কৰি এক সুপুষ্টিত ভাৰত গঢ়ি তোলা। বিভিন্ন প্ৰতিবেদনে স্পষ্টকৈ দেখুৱাইছে যে পোষণ মাহ উদযাপনৰ জৰিয়তে সচেতনতা বৃদ্ধি আৰু কিছুমান সূচকত অগ্ৰগতি লাভ হৈছে। তথাপি পুষ্টিহীনতা হ্ৰাসৰ লক্ষ্য পূৰণ কৰিবলৈ অধিক কাৰ্যকৰী সমন্বয়, শক্তিশালী নীতি-নিৰ্ধাৰণ আৰু পুঁজিৰ উচিত ব্যৱহাৰ হ'ব লাগিব। অষ্টম ৰাষ্ট্ৰীয় পোষণ মাহ আৰু "সুস্থ নাৰী, শক্তিশালী পৰিয়াল অভিযান" একেলগে আৰম্ভ হোৱাটো ভাৰতৰ স্বাস্থ্য আৰু পুষ্টি নীতিৰ ক্ষেত্ৰত এক যুগান্তকাৰী পদক্ষেপ। এনে পদক্ষেপে কেৱল স্বাস্থ্য আৰু পুষ্টি নহয়, বৰং সমগ্ৰ সমাজৰ সুৰক্ষাৰ বাবে এক মজবুত ভেঁটি প্ৰস্তুত কৰিব। সুস্থ মাতৃ মানে সুস্থ সন্তান, সুস্থ সন্তান মানে শক্তিশালী পৰিয়াল আৰু শক্তিশালী পৰিয়াল মানে সমৃদ্ধ ৰাষ্ট্ৰ। সেয়েহে এই দুয়োটা কাৰ্যসূচীৰ সফল ৰূপায়নে ভাৰতৰ সুস্থ, পুষ্টিমান সমাজ নিৰ্মাণৰ লক্ষ্য পূৰণ কৰিব।

অসম চৰকাৰ



যা দেৱী সৰ্বভূতেষু
শক্তিৰূপেণ সংস্থিতা
নমস্তস্যৈ নমস্তস্যৈ
নমস্তস্যৈ নমো নমঃ।।



JANASANYOG- 2240/25/28-Sept-25

শাৰদীয় দুৰ্গোৎসৱৰ এই পৱিত্ৰ ক্ষণত সমূহ ৰাজ্যবাসীৰ মংগল কামনাৰে দুৰ্গতিনাশিনী দেৱী দুৰ্গামাৰ শ্ৰীচৰণত প্ৰণিপাত জনাইছোঁ।

প্ৰতিগৰাকী লোকেই দেৱীমাৰ আশিসপুষ্ট হৈ নৱ নৱ চিন্তা-চেতনাৰে উজলি উঠক।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# শুভ দূৰ্গা পূজা



**চিমী বৰুৱা, মৰিগাঁও চৰাইবাঁহী**

দূৰ্গা পূজা হিন্দু ধৰ্মৰ অন্যতম পবিত্ৰ আৰু শ্ৰেষ্ঠ উৎসৱ। এই উৎসৱ সাধাৰণতে আহিন মাহত অনুষ্ঠিত হয়। দূৰ্গা পূজা মূলত অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ জয়ৰ প্ৰতীক। মাতৃ দূৰ্গাই মহিষাসুৰ নামৰ অসুৰৰ বিনাশ কৰিছিল। সেই স্মৃতিৰক্ষাৰ বাবে এই পূজা পালন কৰা হয়।

দূৰ্গা পূজা কেৱল ধৰ্মীয় অনুষ্ঠান নহয়; ই সামাজিক আৰু সাংস্কৃতিক মিলনৰ উৎসৱও বুলিব পাৰি। পূজাৰ দিনবোৰত গাঁও-চহৰ সকলো ঠাইত আনন্দৰ পৰিবেশ সৃষ্টি হয়। ঘৰে ঘৰে, মণ্ডপে মণ্ডপে সুন্দৰ সাজ-সজ্জা আৰু দীপ-প্ৰদীপে পৰিৱেশক মাধুৰ্য্য-পূৰ্ণ কৰি তোলে। পূজাৰ দিনত দূৰ্গা দেৱীৰ পেণ্ডেলসমূহ শোভাযাত্ৰা কৰি চাবলৈ বহু মানুহ আহে।

এই উৎসৱত নতুন কাপোৰ, সুস্বাদু খাদ্য আৰু বিবিধ সাংস্কৃতিক কাৰ্যসূচী থাকে। নাটক, সংগীত, নৃত্য, প্ৰতিযোগিতা আদি অনুষ্ঠানত সকলো বয়সৰ মানুহ অংশগ্ৰহণ কৰে। সন্তানসকলৰ মুখত হাঁহি আৰু বয়সী লোকৰ মনত উৎসাহ দেখিলে মন ভৰি যায়।

দূৰ্গা পূজাই আমাৰ সমাজত ভ্ৰাতৃত্ব, মিলন আৰু আনন্দৰ বাণী প্ৰসাৰিত কৰে। ধাৰ্মিক অৰ্থত ইয়াৰ মূল শিক্ষা হৈছে - সত্যৰ জয় হবই, অসত্য বা অশুভ শক্তি শেষত নষ্ট হব।

দূৰ্গা পূজা আমাৰ জীৱনত পবিত্ৰতা, উৎসাহ আৰু সামাজিক মিলনৰ এক অমূল্য উৎসৱ।

# এটি যুগৰ অৱসান

**সবিতা বেগম,বৰপেটা**



অকালতে হাৰ্টথ্ৰব যুগৰ অৱসান অৰ্থাৎ অমূল্য সম্পদ এটি নক্ষত্ৰৰ এটি সুৰৰ আজন্ম প্ৰেমিক জনতাৰ প্ৰাণ সম্ৰাটৰ শুক্ৰবাৰ দিনা (জন্ম ১৮ নবেম্বৰ ১৯৭২, মৃত্যু ১৯-ছেপ্টেম্বৰ -২০২৫, শেষকৃত ২৩ ছেপ্টেম্বৰ ২০২৫) ছিংগাপুৰত অকাল মৃত্যু। মৃত্যু চিৰ সত্য তথাপি মানিবলৈ খুবেই কষ্ট....দেহ মন স্তব্ধ পৰিৱেশ নিথৰ, জগত সংসাৰ শূন্য প্ৰানহীন। অসমখন যেন আতুৰ হৈ পৰিছে ভাষা হীন ভাৱে। নাজানো, জুবিন দা যে আচলতে কি আছিল হৃদয় খনে ভাষাৰে বুজাই ক'ব নোৱাৰে, কি হেৰুৱালে? ইমান কষ্ট লাগে...কাক কেনেকৈ বুজাম নাজানো মাথোঁ নাই বুলি ভাবিলেই চিঞৰি চিঞৰি কান্দিবলৈ মন যায়। য'ত যেনেকৈ যিটো কথা কৈ গৈছিল অক্ষৰে অক্ষৰে মিলি গ'ল সেয়া গানৰ ভাষা হওক নাইবা মুখৰ ভাষা হওক। ইতিহাস এয়া এক নতুন ইতিহাস। মানুহে পাগল বুলি কৈছে মুৰৰ পৰা ভৰি লৈকে যি সাজ সজ্জা পৰিধান কৰিছিল সেয়া চাই পাগল কোৱাটো হয়তো স্বাভাৱিক আছিল কিন্তু আজি সম্পূৰ্ণ ওলোটা, জীয়াই থাকোঁতে নিজে পাগল মৰিছে এতিয়া আমি অসমবাসী তোমাৰ ভাবে পাগল।

জুবিন দা এটা কথা স্পষ্ট কৈ বুজাই থৈ গ'ল প্ৰেম কি, প্ৰেম কিদৰে কৰিব লাগে, প্ৰেমৰ সংজ্ঞা কি....মানৱ ধৰ্ময়, মানৱ প্ৰেমে সেয়া বুজাই থৈ গ'ল.... বান্ধি গ'ল একতাৰ ৰচিৰে।


যিদৰে কৈছিল সেইদৰেই সকলো কাম কৰিলে-- "সাগৰ তলিত শুবৰে মন", শুই দিলে, "এশ বছৰে যি হোৱা নাই সেয়া কৰি থৈ যাম" তাকো সঁচাকৈ কৰিলে, "মই মৰিলে কেলা অসম সাত দিন বন্ধ থাকিব.... তাকো প্ৰায় হ'ল", ৰ'দ-বৰষুণ, মেঘ-ডাৱৰ, গছ-গছনি, জীৱ-জন্তু, পশু- পক্ষী...... সকলো তেওঁৰ বাবে পাগল, শোকাতুৰ স্তব্ধ অশ্ৰুসিক্ত যেন সকলো নিথৰ আহত দেহ। পৃথিৱী যেন নিজৰ গতি পাহৰি গৈছে। কতো ভাল নালাগে কি হেৰালো গোটেই জীৱনটোৰ ভাবে। তুমি কোৱাৰ দৰেই হ'ল মাথোঁ তুমি চকু মেলি নেদেখিলা হয়তো স্বৰ্গৰ পৰা ঠিকেই দেখিছা। যতে আছা ভালেই থাকিবা।

দানবীৰ গণশিল্পী ৩৩ বছৰ কৰ্ম জীৱনত ৪০ টি ভাষা উপভাষাত গান গাইছিল ৩৮ হাজাৰৰো অধিক। ২০০৬ চনত হিন্দী চলচ্চিত্ৰ "গ্যাংষ্টাৰ" ত হিন্দী গান "ইয়া আলি"'ত তেওঁ জাতীয় খ্যাতি অৰ্জন কৰিছিল । তাৰ প্ৰথম এলবাম "অনামিকা" ১৯৯২ চনত।

এইখিনিতেই থমকি থকা নাই ক্ৰমান্বয়ে অনুৰাধা (১৯৯২), জোনাকী মন (১৯৯৩), মায়া (১৯৯৪), আশা(১৯৯৫), জুবিনৰ গান(১৯৯৬), ৰং(১৯৯৬), মুক্তি(১৯৯৭), জানমণি(১৯৯৮), মেঘৰ বৰন(১৯৯৯), ৰাংঢালি(১৯৯৯), পাখি(১৯৯৯), হিয়ামন(২০০১), সপোন(১৯৯৯), শিশু(২০০২), যন্ত্ৰ(২০০৪), উৰণীয়া মন (২০০৭), ৰুমাল ২০০৮ , অভিমানী মন ২০০৯ , ৰুণজুন ২০১২ , কিং ১০১৫ ইত্যাদি। ২০১৪ চনত জুবিন দালৈ "ৰেনেছাঁ অসম বঁটা" আগবঢ়োৱা হয়। ২০২৪ চনৰ ২৭ মে'ত জুবিন গাৰ্গক মেঘালয়ৰ "বিজ্ঞান আৰু

*(ষোল্ল পৃষ্ঠাত চাওক)*

# ঠিকনা



**কপিল শেখৰ বৰা**

আজি মোৰ নিৰৱতা
মাথোঁ নিঃশব্দ ধুমুহা...
ভাল লগা কি, বেয়া লগা কি,
এয়া যেন অবুজ ভাৱনা...
চকুলোৰ লুণীয়া সাগৰ
হৈ ৰল নিথৰ নিথৰ...
ঠিকনা আজি অসীমত বিলীন...
ইউকেলিপ্টাছ জোপাই ক'ব
মোৰ কথা,
নিবিৰ নাহৰৰ পাততেই
লিখা আছে এসাগৰ আৱেগৰ চিয়াহিৰে
মোৰ ঠিকনা...

# আৰাধনা



**মিতালি বৰঠাকুৰ, মালিগাওঁ**

আহিন নামিছে ধৰাৰ বুকুলৈ
মহিষমৰ্দিনী দেৱী আহিব
অগণন ভক্তই দেৱীৰ আৰতি কৰিব
পাৰিব জানো
কলিযুগৰ মহিষৰূপী দানৱক নাশ কৰিব!
পাৰিব জানো পাপৰ পৃথিৱীত
পুণ্যৰ এগছি বন্তিৰে পোহৰাই তুলিব!
অশান্ত পৃথিৱী
বাকৰুদ্ধ অসম
স্তব্ধ যেন পূজাৰ বতৰ
উশাহো যেন জুইৰ দৰে জ্বলি উঠিছে
চাৰিওফালে কপটতা, ঠগ, প্ৰবঞ্চনাৰ কালিমা
সময়ো যেন স্তব্ধ হৈ গৈছে
আহিনৰ অপেক্ষাত জঁই পৰি আছে
চোতালৰ শেৱালী
গভীৰ নিশা দুবৰিৰো সিক্ত চকুলো
নিয়ৰেও বাট চাই ৰৈছে আহিন অহালৈ
সকলোৰে দৃষ্টি যেন এতিয়া
শান্তিৰ অনন্ত পোহৰলৈ
নামি আহক এচমকা পোহৰ য'ত থাকিব
কেৱল শান্তি, সত্য আৰু সুন্দৰৰ আৰাধনা।

# জুবিনৰ মৃত্যুৰ তদন্ত

গাৰ্গৰ পৰিয়ালে দাখিল কৰা এই এজাহাৰৰ পাছতেই সমগ্ৰ ঘটনা সন্দৰ্ভত চিআইডিয়ে কি ধৰণে আইনী প্ৰক্ৰিয়া আগুৱাই নিয়ে সেয়া লক্ষণীয় হ'ব। উল্লেখ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ পাছতে গৰিমা গাৰ্গে ফেচবুক লাইভযোগে মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে থকা অভিযোগসমূহ উঠাই ল'বলৈ এক আহ্বান জনাইছিল। ইয়াৰ বিপৰীতে কিন্তু পৰিয়ালৰ লোকে ছিংগাপুৰত শিল্পীগৰাকীৰ সৈতে থকা প্ৰতিজন লোকৰ বিৰুদ্ধে দাখিল কৰা এজাহাৰে বিষয়টো অতি গুৰুত্বপূৰ্ণ কৰি তুলিছে।

# এছিয়া কাপৰ ফাইনেলত

এগু হেজেছ বৰ্ল্ড চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰথমবাৰৰ বাবে দুয়োটা দল মুখামুখি হৈছিল আৰু মেচখনত ভাৰতীয় দলটোৱে আঠ উইকেটত পাকিস্তানক পৰাস্ত কৰিছিল। আনহাতে ২০১৭ চনৰ চেম্পিয়নছ ট্ৰফীৰ ফাইনেলত অন্তিমবাৰৰ বাবে দুয়োটা দল মুখামুখি হৈছিল আৰু মেচখনত পাকিস্তানে ভাৰতক ১৮০ ৰানত পৰাজিত কৰিছিল। চলিত এছিয়া কাপত টীম ইণ্ডিয়াই পাকিস্তানৰ বিৰুদ্ধে জয়ৰ হেটট্ৰিক কৰাৰ সুযোগ লাভ কৰিছে। গ্ৰুপ পৰ্যায়ৰ লগতে ছুপাৰ ফ'ৰৰ মেচত পাকিস্তানক বিধ্বস্ত কৰা সূৰ্যকুমাৰ বাহিনীয়ে দেওবাৰে হ'বলগীয়া ফাইনেল মেচখনতো চিৰপ্ৰতিদ্বন্দ্বী দলটোক পৰাস্ত কৰিব পাৰিব বুলি আশাবাদী ভাৰতীয় অনুৰাগী।

# ডিব্ৰুগড়ত সুস্থ নাৰী

প্ৰদানৰ প্ৰসাৰ ঘটোৱাৰ নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। মহিলা আৰু কিশোৰীৰ স্বাস্থ্য আৰু পুষ্টিৰ প্ৰয়োজনীয়তা সন্দৰ্ভত সজাগতা সৃষ্টিৰ লগতে ৰক্তহীনতা প্ৰতিৰোধ, সুষম খাদ্য আৰু ঋতুস্ৰাৱৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত সজাগতা অভিযান চলোৱা হৈছে সুস্থ -নাৰী সুস্থ পৰিয়াল অভিযানৰ জৰিয়তে। ইয়াৰ উপৰিও এই অভিযানৰ যোগেদি জিলাখনৰ মহিলা সকলৰ অসংক্ৰামক ৰোগ, ৰক্তহীনতা, যক্ষ্মা আৰু ছিকেল চেল ৰোগৰ পৰীক্ষা, প্ৰসৱৰ পূৰ্বে যত্ন, প্ৰতিষেধক, পুষ্টি, তেল আৰু চেনিৰ ব্যৱহাৰ হ্ৰাসকৰণ, জীৱনশৈলী আৰু মানসিক স্বাস্থ্য সজাগতামূলক কাৰ্য্যকলাপৰ জৰিয়তে মাতৃ, কিশোৰী আৰু শিশুৰ স্বাস্থ্যৰ উন্নতি সাধন কৰাৰ উদ্দেশ্যেৰে বিভিন্ন সজাগতা সভা অনুস্থিত কৰা হৈছে স্বাস্থ্য বিভাগৰ উদ্যোগত। লগতে এই অভিযান কালত আয়ুষ্মান ভাৰত কাৰ্ডৰ ই কে ৱাই চি, আভা আই ডি প্ৰস্তুতকৰণ, নিক্ষয় মিত্ৰৰ সৃষ্টি আৰু স্বেচ্ছামূলক ৰক্তদান শিবিৰো অনুষ্ঠিত কৰা হৈছে। ১৭ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ চলিবলগীয়া এই সুস্থ নাৰী, সুস্থ পৰিয়াল অভিযানৰ লক্ষ্য হৈছে ২০৪৭ চনৰ ভিতৰত প্ৰধানমন্ত্ৰীৰ স্বাস্থ্যবান, শক্তিশালী আৰু বিকশিত ভাৰতৰ দৃষ্টিভংগী আগুৱাই নিয়া ।

# ঔষধৰ ওপৰত ১০০

কৰা প্ৰতিখন দেশৰ ওপৰত ১০০ শতাংশ শুল্ক আৰোপৰ কথা সদৰী কৰিছে। ট্ৰাম্পৰ এই সিদ্ধান্তই ভাৰতত বৃহৎ প্ৰভাৱ পেলাব পাৰে, কিয়নো ভাৰতে আমেৰিকালৈ বৃহৎ পৰিমাণৰ ঔষধ ৰপ্তানি কৰে। এনে পৰিপ্ৰেক্ষিতত অত্যধিক শুল্কই স্বাভাৱিকতে ৰপ্তানিকাৰীক বিপদত পেলাব। ৰাষ্ট্ৰপতি ট্ৰাম্পে কয় যে আমেৰিকাৰ বজাৰখন বিদেশী সামগ্ৰীৰে উপচি পৰিছে। ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি এই ধাৰা বন্ধ হ'ব লাগে। আমদানিৰ পৰিৱৰ্তে সকলো সামগ্ৰী আমেৰিকাত নিৰ্মাণ কৰিলেহে ৰাষ্ট্ৰীয় নিৰাপত্তা নিশ্চিত হ'ব।

# ৰে'লৰ পৰা সফল

কৰিব পাৰিব। মিছাইল ব্যৱস্থাত শক্তিশালী ভাৰতৰ ইয়াৰ পূৰ্বে ৰে'লৰ পৰা মিছাইল নিক্ষেপ কৰিব পৰা ব্যৱস্থা নাছিল। অগ্নিপ্ৰাইম মিছাইলৰ জৰিয়তে এতিয়াৰে পৰা ভাৰতে ৰে'ল বেছড লঞ্চিং ছিষ্টেমেৰে শত্ৰুপক্ষক আক্ৰমণ কৰিব পাৰিব। দেশত য'লৈকে ৰে'লপথ আছে তাৰ পৰাই এই মিছাইল শত্ৰুলৈ নিক্ষেপ কৰিব পাৰিব। উল্লেখ্য যে চীন, ৰাছিয়া, উত্তৰ কোৰিয়াৰ দৰে দেশত চলন্ত ৰে'লৰ পৰা মিছাইল নিক্ষেপ কৰিব পৰা ব্যৱস্থা আছে যদিও ভাৰতে এই ব্যৱস্থা নতুনকৈ সংযোজন কৰিলে। ডিআৰডিঅ'ই অগ্নি প্ৰাইম মিছাইল সফলতাৰে পৰীক্ষণ কৰাৰ পাছত সংস্থাটোক অভিনন্দন জনাইছে কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে। ২০০০ কিলোমিটাৰ দৈৰ্ঘ্য ভেদিব পৰা এই মিছাইলটো অত্যাধুনিক প্ৰযুক্তিৰে দেশীয়ভাৱে নিৰ্মিত।

# অসম ক্ৰিকেট সন্থাৰ

সন্দৰ্ভত এক সংবাদ মেল আয়োজন কৰে অসম ক্ৰিকেট সন্থাই। বিচিচিআইৰ সম্পাদক দেৱজিৎ শইকীয়া আৰু এচিএৰ সম্পাদক ত্ৰিদিব কোঁৱৰৰ অধ্যক্ষতাত অনুষ্ঠিত সংবাদ মেলত গুৱাহাটীত হ'বলগীয়া প্ৰতিযোগিতাখনৰ খেল সন্দৰ্ভত কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৩০ ছেপ্টেম্বৰত ভাৰত- শ্ৰীলংকাৰ মাজত হ'বলগীয়া উদ্বোধনী মেচখনত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হ'ব। অসম ক্ৰিকেট সন্থাই উদ্বোধনী মেচখনত ১০০ টকা মূল্যৰ ৫ হাজাৰ টিকট জুবিন অনুৰাগী সকলক বিনামূলীয়াকৈ প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে বুলিও সংবাদমেলত সদৰী কৰে। অনুৰাগীসকলে পৰিচয় পত্ৰ দেখুৱাই মেচৰ টিকট সংগ্ৰহ কৰিব পাৰিব বুলি জানিবলৈ দিয়া হৈছে। প্ৰতিযোগিতাৰ প্ৰথমখন মেচৰ আৰম্ভণিৰ পূৰ্বে উদ্বোধনী অনুষ্ঠানত অংগৰাগ পাপন মহন্তই জুবিন গাৰ্গৰ প্ৰতি গীতেৰে শ্ৰদ্ধাঞ্জলি দিব। পাপনৰ লগতে জয় বৰুৱাসহ কেইবাগৰাকীও শিল্পীয়ে অনুষ্ঠান পৰিৱেশন কৰিব। মেচৰ পূৰ্বে এই উদ্বোধনী অনুষ্ঠান ৪০ মিনিটৰ হ'ব বুলি জানিবলৈ দিয়া হৈছে। ইফালে বলীউডৰ জনপ্ৰিয় গায়িকা শ্ৰেয়া ঘোষালে প্ৰতিযোগিতাৰ থিম চং মুকলি কৰিব। মেচৰ প্ৰথম ইনিংছৰ বিৰতিৰ পাছতে শ্ৰেয়া ঘোষালে অনুষ্ঠান পৰিৱেশন কৰিব। বলীউডৰ শিল্পীগৰাকীয়ে গীতেৰে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাব। উদ্বোধনী অনুষ্ঠানত আইচিচিৰ অধ্যক্ষ জয় শ্বাহৰ লগতে বিচিচিআইৰ বিষয়ববীয়া উপস্থিত থাকিব। লক্ষণীয়ভাৱে ১৯ তাৰিখে জুবিন গাৰ্গৰ অকাল মৃত্যু নোহোৱা হ'লে উদ্বোধনী অনুষ্ঠানত পাপনৰ সৈতে জুবিন গাৰ্গেও গীত পৰিৱেশন কৰিলেহেঁতেন। কিন্তু এতিয়া তেওঁৰ অনাকাংক্ষিত মৃত্যুৰ পিছত এই অনুষ্ঠান সম্পূৰ্ণৰূপে তেওঁৰ নামত উৎসৰ্গা কৰা হ'ব।

# এছআইটিৰ তদন্তত সন্তুষ্ট নহ'লে

উত্তৰ বিচাৰিব। সেয়েহে আদালতক সন্তুষ্ট কৰিব পৰাকৈ এছআইটিয়ে কাম কৰিব আৰু সকলোৱে এছআইটিক সহযোগ কৰক। ইফালে জুবিন গাৰ্গৰ মৃত্যুৰ বাবে মূল দোষী হিচাপে চিনাক্ত হোৱা শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা গুৱাহাটীত আছে বুলি শেহতীয়াকৈ সৃষ্টি হোৱা উত্তেজনাৰ বিপৰীতে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- মই নাভাবোঁ যে তেওঁলোক গুৱাহাটীত আছে। গুৱাহাটীত থাকিলে নিশ্চয়কৈ তেওঁলোকে আৰক্ষীৰ সৈতে যোগাযোগ কৰিলে হয় আৰু সুৰক্ষা বিচাৰিলেহেঁতেন। তদুপৰি তেওঁলোক গুৱাহাটীত থাকিলে এছআইটিয়ে তেওঁলোকৰ ম'বাইল ফোনসমূহ ট্ৰেক কৰিব পাৰিলেহেঁতেন। সেয়েহে এতিয়া এইধৰণৰ উৰাবাতৰিৰ পৰা আমি আঁতৰত থাকিব লাগিব। নিশিতা গোস্বামী, সন্দীপন গাৰ্গ, সঞ্জীৱ নাৰায়ণ, অমৃতপ্ৰভাকে ধৰি আটাইকে ৪৮ ঘণ্টা জেৰা কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- আমাক নিৰ্দিষ্ট এয়া সময় দিয়ক, যাতে কামটো সম্পূৰ্ণ কৰি উলিয়াব পাৰি। মই প্ৰতিশ্ৰুতি দিছোঁ- এছআইটিয়ে যদি ভাল ফলাফল দেখুৱাব নোৱাৰে, আমি লগে লগে এই ঘটনাৰ তদন্ত চিবিআইক দিম। ইফালে জুবিন গাৰ্গৰ বহু সম্পত্তিৰ মালিকীস্বত্ব তথা গীতসমূহৰ কপিৰাইট তেওঁৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাই হস্তগত কৰি ৰাখিছে বুলি উত্থাপিত হৈ থকা অভিযোগ সন্দৰ্ভতো মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মন্তব্য- এই কথাবোৰ ৰাইজৰ মাজত চৰ্চা হৈ আছে। জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গে এনেধৰণৰ অভিযোগ আমাক দিয়া নাই। জুবিন গাৰ্গৰ যিকোনো সম্পত্তি অথবা সম্পদ সিদ্ধাৰ্থ শৰ্মাৰ লগত আছে আৰু তাক চৰকাৰে উলিয়াই দিব লাগে, সেই কথা জুবিন গাৰ্গৰ পৰিয়ালে আজিলৈকে আমাক অৱগত কৰা নাই। মই দেখি আছোঁ যে তেওঁৰ পৰিয়ালে ছবিখনৰ কাম আগুৱাই নিয়াত লাগি আছে। যদি এনেধৰণৰ কিবা ঘটনা আছে, যিটো সিদ্ধাৰ্থ শৰ্মাই লুকুৱাই ৰাখিছে, প্ৰথমে গৰিমা গাৰ্গে আমাক জনাব। গৰিমা গাৰ্গৰ লগত আৰক্ষী আয়ুক্তই সদায় যোগাযোগত আছে। গতিকে পৰিয়ালৰ তৰফৰ পৰা এনেবোৰ কথা আমাক এতিয়ালৈ কোৱা নাই। মাত্ৰ তেওঁলোকে জুবিনৰ মৃত্যু সন্দৰ্ভত ন্যায় দিব লাগে বুলিহে কৈ আছে। বাকীবোৰ কথা সামাজিক মাধ্যম বা একাংশ সংবাদ মাধ্যমতহে প্ৰচাৰ হৈ আছে। কোনোবাই যদি ভাবে জুবিন গাৰ্গৰ সম্পদ সিদ্ধাৰ্থ শৰ্মাই লুকুৱাই ৰাখিছে বা হস্তগত কৰিছে, তেন্তে তাৰ তথ্য চিআইডিক অৰ্পণ কৰক। তেতিয়া ইয়াৰ অনুসন্ধান কৰিব পৰা যাব।

# অসমত কোনো ধৰণৰ অনুষ্ঠান

সন্দৰ্ভত অন্ত্যেষ্টিক্ৰিয়াৰ পিছদিনাই কাৰ্যতঃ মুখ্যমন্ত্ৰী ড° শৰ্মাই এক্সন আৰম্ভ কৰিলে। উল্লেখ্য যে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিৰ প্ৰসাৰ আৰু বিকাশৰ প্ৰকল্প দেখুৱাই কেন্দ্ৰ-ৰাজ্য চৰকাৰৰ লগতে বিভিন্ন ধৰণৰ সংস্থাৰ পৰা পুঁজি আহৰণেৰে শ্যামকানু মহন্তই দেশে-বিদেশে বিভিন্ন ধৰণৰ অনুষ্ঠানৰ আয়োজন কৰি আহিছে। নৰ্থ-ইষ্ট ফেষ্টিভেল, ৰঙালী, ট্ৰেণ্ড এমএমএছ আদি উৎসৱৰ নামত বছৰি লাখ লাখ টকা সৰকাই নিজৰ জেপ গধুৰ কৰাৰ অভিযোগ শ্যামকানু মহন্তৰ বিৰুদ্ধে দীৰ্ঘদিনীয়া। এইবাৰো ছিংগাপুৰত এইজন সংস্কৃতিৰ দালালে আয়োজন কৰিছিল নৰ্থ-ইষ্ট ফেষ্টিভেলৰ। য'ত অনুষ্ঠান পৰিৱেশনৰ বাবে যুৱপ্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গকো আমন্ত্ৰণ জনোৱা হৈছিল। শাৰীৰিকভাৱে অসুস্থ হৈ থকাৰ লগতে ছিজাৰ ৰোগত আক্ৰান্ত জুবিন গাৰ্গৰ বাবে জুই-পানী অতি ভয়াৱহ হ'ব পাৰে বুলি জানিও তেওঁৰ স্বাস্থ্য আৰু সুৰক্ষাৰ দিশটোক সম্পূৰ্ণভাৱে আওকাণ কৰি লৈ যোৱা হৈছিল সাগৰৰ বুকুত য়াট বিনোদনৰ বাবে। এই য়াট বিনোদনত গৈ সাঁতুৰি থকা অৱস্থাতে দুৰ্ভাগ্যজনকভাৱে যোৱা ১৯ ছেপ্টেম্বৰত অকাল বিয়োগ ঘটে জুবিন গাৰ্গৰ। দায়িত্ব জ্ঞানহীন সমগ্ৰ এই কৰ্মকাণ্ডৰ কাৰণে সমগ্ৰ অসমবাসীয়ে একমুখে অভিযোগৰ আঙুলি টোৱাইছে নৰ্থ-ইষ্ট ফেষ্টিভেলৰ শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ অনা-অসমীয়া মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ প্ৰতি। বিভিন্ন দল-সংগঠন, ব্যক্তিবিশেষে ৰাজ্যৰ ভিন্ন প্ৰান্তত শ্যামকানু মহন্তৰ বিৰুদ্ধে বৰ্তমানপৰ্যন্ত ৬০খনতকৈও অধিক এজাহাৰ দাখিল কৰিছে। এই এজাহাৰসমূহত শ্যামকানু মহন্তৰ উপৰি জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ বাবে অভিযুক্ত কৰা হৈছে মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা, বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী আৰু ব্যৱসায়ী সঞ্জীৱ নাৰায়ণক। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নিৰ্দেশমৰ্মে ইতিমধ্যে ভিন্ন প্ৰান্তত ৰুজু হোৱা এই এজাহাৰসমূহ চিআইডিলৈ হস্তান্তৰ কৰি ১৮/২০২৫ নম্বৰৰ এক সংহত গোচৰ অসম আৰক্ষীৰ অনুসন্ধানকাৰী সংস্থাটোত ৰুজু কৰা হৈছে। যি গোচৰৰ ভিত্তিত ইতিমধ্যে চিআইডিয়ে আৰম্ভ কৰিছে তদন্ত প্ৰক্ৰিয়া। তাৰ মাজতে জুবিন গাৰ্গক ছিংগাপুৰলৈ আমন্ত্ৰণৰ মূল হোতা ফেষ্টিভেল মহন্ত হিচাপে পৰিচিত শ্যামকানু মহন্তক ৰাজ্য চৰকাৰে অসমত নিষিদ্ধ কৰাটো যথেষ্ট গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে। লক্ষণীয়ভাৱে সামাজিক মাধ্যমত ইতিমধ্যে শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আদিৰ দৰে ব্যক্তিসকলৰ মুখাৰ আঁৰৰ মুখ জুবিন গাৰ্গৰ অনুৰাগী-গুণমুগ্ধ আৰু তেওঁৰ একাংশ ঘনিষ্ঠই উদঙাই দিছে। শ্যামকানু মহন্তৰ দৰে ব্যক্তি কিমান বেপাৰী মানসিকতাৰ হ'ব পাৰে সেয়া এটা কথাই প্ৰতীয়মান কৰে। বৰ্তমানে আত্মগোপন কৰি থকা শ্যামকানু মহন্তই জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰসংগত বাৰম্বাৰ ভাষ্য সলনি কৰা বিষয়টোৱে তেওঁৰ প্ৰকৃত চৰিত্ৰ অসমবাসীৰ সন্মুখত উন্মোচিত কৰা বুলি সৰ্বত্ৰ চৰ্চা অব্যাহত আছে।

# ৭ অক্টোবৰৰ পৰা আৰম্ভ হ'ব অৰুণোদয় ৩.০



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্য চৰকাৰে অহা ৭ অক্টোবৰত অৰুণোদয় ৩.০ৰ প্ৰথম কিস্তিৰ ধন আদায় দিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ফেচবুক লাইভযোগে শনিবাৰে এই কথা ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- অৰুণোদয়ৰ জৰিয়তে অসমৰ ৩০ লাখ পৰিয়ালক ১, ২৫০ টকাকৈ আগবঢ়োৱা হয়। যোৱা ১৭ ছেপ্টেম্বৰৰ পৰা অৰুণোদয় তৃতীয় সংস্কৰণ আৰম্ভ কৰাৰ কথা আছিল যদিও পৰৱৰ্তী সময়ত ২৫ ছেপ্টেম্বৰতহে দিন স্থিৰ কৰা হয়। কিন্তু ৰাজ্যখনত চলি থকা ঘটনাপ্ৰৱাহৰ বাবে সেই আঁচনিখন ২৫ ছেপ্টেম্বৰৰ নিৰ্দিষ্ট দিনত আৰম্ভ কৰা নহ'ল। সেয়েহে অহা ৭ অক্টোবৰত অৰুণোদয়ৰ কিস্তি সকলোৰে হাতত তুলি দিয়া হ'ব। ইয়াৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। ৭ অক্টোবৰত ৩০ লাখ আইমাতৃয়ে অৰুণোদয়ৰ তৃতীয় পৰ্যায়ৰ সুবিধা লাভ কৰিব আৰু ইয়াৰ পিছত প্ৰতিমাহে এই পুঁজি যোগান ধৰি থকা হ'ব। আনহাতে নিযুত মইনা আঁচনিখনো ১০ৰ পৰা ১৫ অক্টোবৰৰ ভিতৰত আৰম্ভ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জনায়। এই সন্দৰ্ভত তেওঁ কয়-অৰুণোদয় আঁচনিৰ তৃতীয় সংস্কৰণৰ লগে লগে নিযুত মইনা আঁচনিখনো আৰম্ভ কৰা হ'ব। ৰাজ্যৰ ৩.৫০ লাখ ছাত্ৰীয়ে এইবাৰ নিযুত মইনা আঁচনিৰ সুবিধা লাভ কৰিব। এই আঁচনিৰ ধন চেকযোগে ছাত্ৰীসকলক প্ৰদান কৰা হ'ব। ইয়াৰ বাবে বেংকক চেকসমূহ প্ৰস্তুত কৰাৰ নিৰ্দেশ দিয়া হৈছে। নিযুত মইনা আঁচনিৰো প্ৰথম কিস্তিৰ ধন ১০-১৫ অক্টোবৰৰ ভিতৰত সকলোৰে হাতত তুলি দিয়া হ'ব। পৰৱৰ্তী মাহসমূহত নিয়মীয়াকৈ বেংকযোগে আঁচনিৰ ধন লাভ কৰি থাকিব।

# জুবিনক ন্যায় দিয়াৰ ক্ষেত্ৰত

হিচাপে তাতকৈ গৌৰৱৰ কথা আন একো হ'ব নোৱাৰে। সেয়েহে জুবিনে য'তেই যেনেকৈ সমস্যাত পৰিছে, তাতেই মই উপস্থিত হৈছোঁ। ক'ভিডৰ সময়ত মুম্বাইৰ পৰা অসমলৈ জুবিনক লৈ অহা, ডিব্ৰুগড়ৰ পৰা বিশেষ বিমানেৰে নতুন দিল্লীত গ্ৰীন কৰিড'ৰ বনাই জুবিনক চিকিৎসাৰ ব্যৱস্থা কৰা, জীৱনৰ কেইবাটাও গুৰুত্বপূৰ্ণ অধ্যায়ৰ মই সাক্ষী হৈ থকাৰ সুযোগ পাইছিলোঁ। সেয়েহে কোনো এজন জুবিন অনুৰাগীতকৈ মই নিজকে কম অনুৰাগী বুলি নাভাবোঁ। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- জুবিনক আমি গীত-মাতেৰে জীয়াই ৰাখিম। জুবিনৰ ঘটনাৰ ন্যায়ৰ বাবে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক বহুত কথা সুধিব লাগিব। সেয়েহে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক ৬ অক্টোবৰৰ ভিতৰত অসমত উপস্থিত হ'বলৈ স্পষ্ট কৰিলোঁ। শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক ক'ব খোজোঁ যে জনতাৰ ধৈৰ্যৰ সৈতে নেখেলিব। ৬ অক্টোবৰৰ ভিতৰত অসমত উপস্থিত হৈ আইনক সহায় কৰক। পত্ৰ লিখি, ফেচবুক লাইভত আহি কোনো সাৰি যাব নোৱাৰিব। অসম আৰক্ষীয়ে সময়ত কিমান শক্তিশালী ভূমিকা ল'ব পাৰে সেয়া প্ৰত্যেকে দেখিছে। গতিকে কোনেও পলাই সাৰিব পাৰিব বুলি যদি ভাবিছে সেয়া ভুল। এটা কথা মই সকলোকে স্পষ্ট কৰি দিব বিচাৰিছোঁ ক'ভিডৰ সময়তো মই ৰাজ্যবাসীক এৰা নাছিলোঁ, বানপানীৰ সময়তো অসমৰ জনগণক মই এৰা নাছিলোঁ আৰু জীৱনত এটা দিন আহিছিল পিপিই কিট পিন্ধিও ক'ভিডৰ আইচিইউৰ ভিতৰত গৈ জনতাক সেৱা কৰাৰ চেষ্টা কৰিছিলোঁ। আজি যেতিয়া অসমৰ জনতাই জুবিনক ন্যায় দিয়াৰ বাবে আন্দোলন কৰিছে, তাৰ পৰা মই পৃথক নহয়। সেয়েহে মই আজি পুনৰ প্ৰতিশ্ৰুতি দিছোঁ- জুবিনৰ ঘটনাৰ সৈতে জড়িত সকলো ব্যক্তিক আইনৰ সন্মুখলৈ অনাটো মোৰ দায়িত্ব। এই দায়িত্ব মই পালন কৰিম। মুখ্যমন্ত্ৰী হিচাপে মই অসমৰ ৰাইজৰ ওচৰত শিৰনত কৰোঁ। শ্যামকানু মহন্ত-সিদ্ধাৰ্থ শৰ্মাৰ ওচৰত নহয়। সেয়েহে মই শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক ক'ব বিচাৰোঁ ঘটনাপ্ৰৱাহ দূৰলৈ যাব নিদিব। কোনোবাই যদি ভাবি আছে আমি আগতীয়া জামিন ল'ম, আইনৰ ওচৰলৈ যাম, এই প্ৰচেষ্টাবোৰ কৰা উচিত নহয়। কাৰণ জুবিন এগৰাকী জাতীয় সম্পদ। জুবিনৰ হত্যাৰ প্ৰতিটো মুহূৰ্তৰ ঘটনা তন্ন তন্ন কৰি ৰাইজৰ আগত আপোনালোকে ক'ব লাগিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই পুনৰ কয়- কেইগৰাকীমান ব্যক্তিয়ে জুবিনৰ ন্যায় বিচাৰি ৰাজপথত আন্দোলন কৰিছে। আৰক্ষীয়ে তেওঁলোকক গ্ৰেপ্তাৰ কৰিছে। তেওঁলোকক কিয় গ্ৰেপ্তাৰ কৰা হ'ব বুলি প্ৰশ্ন উঠিছে। গ্ৰেপ্তাৰ হোৱা এজন ব্যক্তি হ'ল অজয় ফুকন। জুবিনে নিজেই সেই ব্যক্তিজনৰ বিষয়ে কৈ গৈছিল যে এই ব্যক্তিজনৰ জৰিয়তে মোৰ লগত যাতে কোনেও সম্পৰ্ক নকৰে। এইজন অজয় ফুকনে বিগত নিৰ্বাচনত কংগ্ৰেছ দলৰ পৰা চাবুৱা বিধানসভা সমষ্টিৰ প্ৰাৰ্থী আছিল। আনজন গ্ৰেপ্তাৰ হোৱা ব্যক্তি হ'ল ভিক্টৰ দাস। এই ভিক্টৰ দাসে এগৰাকী সহজ-সৰল যুৱতীক কেনেকৈ গুৰুলাগুৰুলকৈ পিটিছিল তাৰ প্ৰতিচ্ছবি এতিয়াও আমাৰ সন্মুখৰ পৰা আঁতৰি যোৱা নাই। ভিক্টৰ দাসে যুৱতীগৰাকীক প্ৰহাৰ কৰাৰ দিনা হয়তো জুবিনেও কান্দিছিল। জুবিনেও এই ব্যক্তিজনৰ বিৰুদ্ধে ন্যায় বিচাৰিছিল। জুবিনৰ নামত চৰকাৰবিৰোধী ৰাজনীতি হ'ব নোৱাৰে, জুবিনৰ নামত অসমখনক আমি নেপাল কৰিব দিব নোৱাৰোঁ। এটাও যদি আমাৰ সম্পত্তি আমি হানি কৰোঁ, আটাইতকৈ দুখ জুবিন গাৰ্গে পাব। কাৰণ এইখন জুবিনৰ অসম। জুবিনৰ নামত সাঙোৰ খোৱাসকলৰ বিচাৰ নোহোৱালৈকে আমি সহজতে তেওঁলোকক যাব নিদিওঁ। মাত্ৰ ৰাইজে আইন হাতত তুলি নল'ব। মুখ্যমন্ত্ৰীয়ে ফেচবুক লাইভযোগে ঘোষণা কৰে যে শ্যামকানু মহন্তৰ প্ৰত্যেকটো বেংক একাউন্ট, পানকাৰ্ড, ক্ৰেডিট কাৰ্ড ফ্ৰিজ কৰা হৈছে যাতে তেওঁ বহুদিনলৈ বাহিৰত থাকিব নোৱাৰে। যদি ৬ অক্টোবৰলৈকে সিদ্ধাৰ্থ শৰ্মা আৰু শ্যামকানু মহন্ত অসমলৈ ঘূৰি নাহে, অসম আৰক্ষীয়ে তেওঁলোকক অনাৰ বাবে সকলোধৰণৰ চেষ্টা কৰিব। এই ঘটনাৰ নিৰপেক্ষ তদন্তৰ বাবে গুৱাহাটী উচ্চন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক এজন চিটিং বিচাৰপতিৰে এখন জুডিচিয়েল কমিটী গঠন কৰাৰ বাবে ইতিমধ্যে পত্ৰ লিখিছোঁ। ইয়াৰ দ্বাৰা কমিটীখনে তন্ন তন্নকৈ ভুল-ক্ৰুটি চাব পাৰিব। ইফালে মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদ মাধ্যমৰ আগত উল্লেখ কৰে যে সিদ্ধাৰ্থ শৰ্মা আৰু শ্যামকানুৰ বিৰুদ্ধে লুক আউট ন'টিচ জাৰি কৰা হৈছে। ইণ্টাৰপ'লৰ জৰিয়তে এই লুক আউট ন'টিচ জাৰি কৰা হৈছে। যাতে আন কোনো দেশলৈ তেওঁলোক পলায়ন কৰিব নোৱাৰে। তদুপৰি ছিংগাপুৰৰ ঘটনাৰ সৈতে জড়িত ৰৰজন ব্যক্তিলৈ ভাৰতীয় ৰাষ্ট্ৰদূতৰ জৰিয়তে অসম আৰক্ষীয়ে চমন জাৰি কৰি ১০ দিনৰ ভিতৰত চিআইডিৰ উলুবাৰীস্থিত মুখ্য কাৰ্যালয়ত উপস্থিত হোৱাৰ নিৰ্দেশ দিয়া হৈছে।

# এমআইএলত সন্নিৰিষ্ট

জনোৱাৰ উদ্দেশ্যে উপস্থিত হোৱা অধ্যক্ষ আৰচি জৈনে সংবাদ মাধ্যমৰ আগত এই কথা জানিবলৈ দি কয়- জুবিন গাৰ্গৰ কৰ্মৰাজি তথা সৃষ্টিক জাতি-জনগোষ্ঠী তথা সকলো ভাষিক লোকৰ ওচৰলৈ লৈ যোৱাৰ বাবে এমআইএলৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হ'ব। ১৪টা ভাষাত থকা এই এমআইএলৰ পাঠ্যক্ৰমত জুবিন গাৰ্গৰ সৃষ্টি তথা কৰ্মৰ ওপৰত এটা অধ্যায় সন্নিৰিষ্ট কৰা হ'ব। শিল্পীগৰাকীৰ জীৱনী আৰু কৰ্ম-আদৰ্শ নতুন প্ৰজন্মই কিদৰে অনুকৰণ কৰিব লাগে তথা জুবিন গাৰ্গৰ সৃষ্টি লৈ কিদৰে অনুপ্ৰাণিত হ'ব পাৰে, তাৰ বাবে এমআইএলত তেওঁৰ বিষয়ে উল্লেখ কৰাৰ পৰিকল্পনা হাতত লোৱা হৈছে। উল্লেখ্য যে মাধ্যমিক বিদ্যালয় শিক্ষা পৰিষদে এমআইএলৰ অন্তৰ্গত ৰাজ্যৰ ১৪টা বিভিন্ন জনগোষ্ঠীয় ভাষাত জুবিন গাৰ্গৰ জীৱনী আৰু কৰ্মৰাজিক সন্নিৰিষ্ট কৰাৰ লক্ষ্যৰে ইতিমধ্যে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে।

# হাগ্ৰামাৰ বিজয় মানে

আসন, ইউপিপিএলে পোৱাখিনিও এনডিএৰ আসন আৰু বিজেপিয়ে পোৱাখিনিও এনডিএৰ আসন। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ফলাফল ঘোষণাৰ পাছতে হাগ্ৰামা মহিলাৰী পুৱা ৪ বজাত মোৰ বাসভৱনলৈ আহিছিল। তেওঁ আমাক কৃতজ্ঞতা জনাইছে। যোৱা মাহতে কেইবাবাৰো হাগ্ৰামা মহিলাৰীৰ সৈতে বাৰ্তালাপ হৈছে। যোৱা বিধানসভা নিৰ্বাচনৰ তিনি মাহ পিছৰ পৰাই হাগ্ৰামা মহিলাৰীয়ে কেইবাবাৰো মোৰ ঘৰলৈ আহিছে। আমাৰ মূল চেষ্টা থাকিব বিপিএফ আৰু ইউপিপিএলক ওচৰ চপাই অনাটো। বিজেপিৰ লগত কাৰোৰেই সমস্যা নাই। আনহাতে মুখ্যমন্ত্ৰীয়ে হাগ্ৰামা মহিলাৰীৰ শপতগ্ৰহণ অনুষ্ঠানত ৰাজ্যপালৰ সৈতে তেওঁ উপস্থিত থাকিব বুলিও উল্লেখ কৰে।

# ১০ অক্টোবৰত ঘোষণা

পৰীক্ষাৰ ফলাফলসমূহ ২০ অক্টোবৰৰ পূৰ্বেই ঘোষণা কৰা হ'ব। আনহাতে আৰক্ষীৰ উপ-পৰিদৰ্শক পদৰ বাবে হোৱা পৰীক্ষাৰ ফলাফল তথা অগ্নিনিৰ্বাপক বাহিনীৰ ফলাফল ১০ অক্টোবৰ বা তাৰ পূৰ্বে ঘোষণা কৰা হ'ব। এইক্ষেত্ৰত এবি আৰু ইউবি কনিষ্টেবলৰ নিযুক্তিৰ ফলাফল দিয়াৰ ক্ষেত্ৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে সাময়িকভাৱে চৰকাৰক এক বাধা আৰোপ কৰিছে। এই বাধা অতিক্ৰম কৰি অৰ্থাৎ গুৱাহাটী উচ্চ ন্যায়ালয়ক সন্তুষ্ট কৰি এই মাহৰ ভিতৰতে আৰক্ষীৰ এবি আৰু ইউবি কনিষ্টেবল পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব পৰা যাব। মুখ্যমন্ত্ৰীৰ ঘোষণা- ফলাফলসমূহ ১০ অক্টোবৰৰ পৰিৱৰ্তে ২০ অক্টোবৰৰ ভিতৰত ঘোষণা কৰা হ'ব যদিও ২৫-২৬ অক্টোবৰৰ ভিতৰত প্ৰতিটো পদৰ নিযুক্তি-পত্ৰ হাতত তুলি দিয়া হ'ব। পৰীক্ষাৰ ফলাফল ঘোষণা কৰা পাছত বিভাগসমূহলৈ পত্ৰ প্ৰেৰণ কৰি কাক কেনেদৰে নিযুক্তি দিয়া হ'ব তাক জনাব লাগে। বিভাগে এই পত্ৰ লাভৰ পাছতে নিযুক্তি-পত্ৰ প্ৰস্তুত কৰিব। এইক্ষেত্ৰত এইটো স্পষ্ট যে অক্টোবৰ মাহৰ ভিতৰতে প্ৰাৰ্থীসকলে নিযুক্তি লাভ কৰিব।

# ডিব্ৰুগড়ৰ কানৈ বাণিজ্য

বক্তব্য আগবঢ়ায়। তেওঁ কয় যে পৰ্যটন কেৱল বিনোদনৰ উপায় নহয়, ই অৰ্থনৈতিক উন্নয়নৰ এক শক্তিশালী মাধ্যম, যিয়ে সাংস্কৃতিক আদান-প্ৰদানৰ যোগান ধৰাত সহায় কৰে আৰু কয় যে পৰ্যটন খণ্ড বিশ্ব আৰু স্থানীয় অৰ্থনীতিৰ এক মুখ্য স্তম্ভ, যিয়ে নিৰ্মাণ কৰে কৰ্মসংস্থাপন আৰু সম্প্ৰদায়সমূহৰ মাজত বুজাবুজি। অনুষ্ঠানৰ মূল আকৰ্ষণ আছিল সমল ব্যক্তি হিচাপে উপস্থিত থকা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক ড° বিপাশা চেতিয়া। তেওঁ পৰ্যটন উদ্যোগৰ বহুমুখী দিশসমূহৰ ওপৰত এক গভীৰ আৰু বিশ্লেষণাত্মক ভাষণ প্ৰদান কৰে। ড° চেতিয়াই পৰ্যটনৰ উদীয়মান ধাৰণাসমূহত বিশেষ গুৰুত্ব দি কয় যে পৰ্যটনক সঁচাকৈয়ে লাভজনক কৰি তোলাৰ বাবে থলুৱা সংস্কৃতিৰ সন্মান কৰা, প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ ওপৰত গুৰুত্ব দিয়াটো নিতান্তই প্ৰয়োজন আৰু উল্লেখ কৰে যে এইধৰণৰ পৰ্যটনৰ ব্যৱস্থা সামগ্ৰিক অৰ্থনৈতিক উন্নয়নৰ বাবে বিশেষ সহায়ক হ'ব পাৰে, যি উন্নয়ন কেৱল দ্ৰুত নহয়, ন্যায়সঙ্গত আৰু দীঘলীয়া হ'ব। তেওঁৰ বক্তব্যই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজত যথেষ্ট উৎসাহৰ সৃষ্টি কৰে আৰু পৰ্যটনৰ মূল্যবোধ সম্পৰ্কত, শিক্ষা প্ৰতিষ্ঠানসমূহে কেনেকৈ প্ৰচাৰ কৰিব পাৰে তাৰ ওপৰত উৎসাহজনক আলোচনা অনুষ্ঠিত হয়। অৰ্থনীতি বিভাগৰ অধ্যাপক ড° অনিতা বৰুৱাই ধন্যবাদ জ্ঞাপন কৰে। তেওঁ ড° চেতিয়াক তেওঁৰ জ্ঞানভিত্তিক বক্তৃতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। উক্ত অনুষ্ঠানটোৱে পৰ্যটনৰ গুৰুত্ব আৰু ইয়াৰ বিকাশৰ প্ৰয়োজনীয়তাৰ বিষয়ে জনসচেতনতা সৃষ্টি কৰাৰ সহায়ক হ'ব বুলি উপস্থিত দৰ্শকে আশা কৰে।

ENGLISH NEWS SECTION

# Governor visits Kamakhya temple on Navratri



Guwahati, RB News: On the auspicious occasion of Navratri,Assam Governor Shri Lakshman Prasad Acharya, accompanied by the First Lady Smt. Kumud Devi visited the sacred Shaktipeeth Kamakhya Temple. During the visit, the Governor offered prayers at the holy shrine and sought the divine blessings of Maa Kamakhya. He prayed for the welfare, happiness and prosperity of all citizens of Assam and extended his heartfelt wishes to the people on the pious occasion of Navratri. The Governor expressed hope that the divine energy of Maa Kamakhya continues to guide and protect the people, bringing peace, prosperity and harmony across the state.

# India defeat Sri Lanka in first Super Over in Asia Cup history




RB News: India chased down three-run target in the Super Over against Sri Lanka in the last Super Four stage match of Asia Cup 2025. It was the first-ever Super Over in Asia Cup history. The match went into Super Over after Sri Lanka scored 202/5 in response to India's 202/5. India have now won eight T20I matches in a row.

# Shardul Thakur appointed as Mumbai's new Ranji Trophy captain



RB News: Shardul Thakur has officially been named the captain of Mumbai for the upcoming Ranji Trophy season, which begins on October 15. His promotion to leadership role was widely expected, especially after Ajinkya Rahane made the decision to step down from captaincy following his two-season stint. The move was confirmed by the senior selection committee under the chairmanship of Sanjay Patil.

# Sergio Busquets confirms retirement from professional football



RB News:. Former Spain and Barcelona captain Sergio Busquets has confirmed his retirement from professional football at the end of the ongoing Major League Soccer (MLS) season in December with Inter Miami. The 37-year-old has been one of the greatest midfielders of his generation, winning 32 trophies during his time at FC Barcelona, apart from clinching the FIFA World Cup with Spain.

# Governor visits Zubeen Garg's residence, pays condolences to family



Guwahati,RB News: A day after the mortal remains of music sensation Zubeen Garg were consigned to flames, Assam Governor, Shri Lakshman Prasad Acharya, along with the First Lady, Smt. Kumud Devi, paid a visit to the residence of the cultural icon at Kahilipara. The Governor expressed his heartfelt condolences to Zubeen's father, Shri Mohini Mohan Borthakur, and his wife, Smt. Garima Garg. Shri Acharya extended his deep sorrow over the untimely passing of Zubeen Garg. He stated that the death of Zubeen Garg is a monumental loss to the nation. "A gifted singer, composer, and cultural ambassador, Zubeen was more than just an artiste, he was a living legend of Assam's vibrant identity, connecting people across generations, cultures, and languages, " said Shri Acharya. While talking to the family members, Shri Acharya hailed Zubeen's commitment to inclusivity and brotherhood, noting, "Zubeen was a man of conviction, rising above divisions of caste, creed, and community. His belief in diversity and equality were not only reflected in his music but also in his actions. He was a true champion of justice, compassion, and societal harmony." As the state and the nation mourn his loss, Shri Acharya expressed his empathy with the grieving family and said, "Though Zubeen is no longer with us, his voice and the values he stood for, will continue to inspire generations to come".

# India squad for Test series against West Indies announced




RB News: The BCCI on Thursday announced Team India's 15-man squad for the upcoming two-match Test series against West Indies, starting October 2 at home. Shubman Gill will lead the squad, while Ravindra Jadeja has been named the vice-captain. Karun Nair has been dropped from the squad, while Devdutt Padikkal and Nitish Kumar Reddy have been included.


# West Indies' Shamar Joseph ruled out of India Test series



RB News: West Indies pacer Shamar Joseph has been ruled out of the upcoming two-match Test series against India due to an injury. Windies Cricket dropped a tweet on X and wrote, "Squad Update. Johann Layne has replaced Shamar Joseph in the squad for the test series against India. Joseph has been ruled out due to an injury."

# শাৰদীয় দুৰ্গোৎসৱ

কবিতা শৰ্মা, নতুন দিল্লী



পূজা পালেহি ... এই কথাযাৰতে যেন অদ্ভুত এক যাদু আছে। আকাশে - বতাহে এক শীত - শীত অনুভৱ, শেৱালি ফুলৰ মিঠা গোন্ধে, কহুৱাবনৰ মুক্ত নাচোন, মেঘমুক্ত নিৰ্মল আকাশ আৰু মনৰ ভিতৰত এক মৃদু উত্তেজনাৰ অনুভূতি ... নহবই বা কিয়? বছৰৰ যিটো ঋতুৱে প্ৰকৃতিক সজাই-পৰাই মনোৰম আৰু মোহনীয় কৰি পৃথিৱীৰ বুকুলৈ অপাৰ সৌন্দৰ্য্য কঢ়িয়াই আনে, জীৱ -জড় সকলোতে আনন্দ আৰু ৰঙৰ মেলা পাতি জগত জোনালীময় কৰি তোলে, যাক কোৱা হয় শাৰদী ৰাণী, সেই স্নিগ্ধ শৰত কালতে মৰতলৈ দেৱী দুৰ্গাৰ আগমন ঘটে। অনুষ্ঠিত হয় শাৰদীয় দুৰ্গা পূজা ..

ধৰ্মীয় ভাবে দুৰ্গাপূজা মাতৃ দুৰ্গাৰ মহিষাসুৰ ৰূপী অশুভ শক্তি ৰ ওপৰত শুভ শক্তিৰ বিজয়ৰ প্ৰতীক। "দুৰ্গা" শব্দটোৰ অন্তৰ্নিহিত অৰ্থ হ'ল - 'দ' আখৰে দৈত্য নাশক, 'উ' কাৰে বিঘ্ন নাশক, 'ৰেফ' ৰে ৰোগ নাশক, 'গ' আখৰে পাপ নাশক, 'আ' কাৰে ভয় তথা শত্ৰু নাশক। অৰ্থাত দৈত্য, বিঘ্ন, ৰোগ, পাপ আৰু ভয় নামৰ শত্ৰুৰ পৰা যিয়ে ৰক্ষা কৰে সেয়ে দুৰ্গা। দেৱীৰ ন-বিধ ৰূপ হ'ল - শৈলপুত্ৰী, ব্ৰহ্মচাৰিণী, চন্দ্ৰঘন্টা, কুষ্মাণ্ডা, স্কন্দমাতা, কাত্যায়নী, কালৰাত্ৰি, মহাগৌৰী আৰু সিদ্ধিদাত্ৰী। দুৰ্গাপূজাক সাধাৰণতে নৱৰাত্ৰি বুলিও কোৱা হয়। মহালয়াৰ পবিত্ৰ ক্ষণত দেৱীৰ মৰ্ত্যলৈ আগমন হোৱাৰ লগে লগে আৰম্ভ হয় নৱৰাত্ৰিৰ। নৱৰাত্ৰি শুক্লা প্ৰতিপদ তিথিত আৰম্ভহৈ নৱমীত সমাপ্ত হয়। ৯ দিনত ভগৱতী দুৰ্গা দেৱীৰ ৯টা ৰূপৰ পূজা কৰা হয় আৰু চণ্ডী পাঠ কৰা হয়। পূজাৰ এই পবিত্ৰ অনুষ্ঠানত ধূপ-ধূণা আৰু হোমৰ সুবাসে, ডবা - কাহ - শংখ - ঘণ্টাৰ মধুৰ ধ্বনিয়ে মানুহৰ অন্তৰে অন্তৰে স্বৰ্গীয় পবিত্ৰতা সানি দিয়ে। হিংসা-দ্বেষ-কপটতা সকলো বিসৰ্জন দি ভক্ত সকলে দেৱীৰ চৰণত মূৰ দোৱাই, শক্তি - বিদ্যা - বুদ্ধি-ঐশ্বৰ্য-বিভূতিৰ কামনা কৰে। মানুহৰ উদুলি মুদুলি পৰিৱেশত পূজা মণ্ডপ যেন বৈকুণ্ঠধামত পৰিনত হয়। দশমী তিথিৰ দিনা দেৱী মাৰ বিসৰ্জন কৰাৰ পাছত দুৰ্গা পূজাৰ অন্ত পৰে।

ভাৰতৰ বিভিন্ন ৰাজ্যত ধুমধামেকৈ এই পূজা অনুষ্ঠিত কৰা হয়। বিশেষকৈ অসমকে ধৰি পশ্চিম বংগ, বিহাৰ, ঝাৰখণ্ড, উৰিষ্যা, ত্ৰিপুৰা আদি ৰাজ্যত দুৰ্গা পূজাৰ পয়োভৰ বেছি।

অসমত দেৱী পূজাৰ প্ৰচলন হাজাৰ বছৰৰো পুৰণি। এই ইতিহাস কোঁচ ৰাজ্যৰ সময়ৰ পৰা আৰম্ভ হৈছিল। দৰঙী ৰজা বলিনাৰায়ণে ১৬১৪ খৃষ্টাব্দত প্ৰথম খন ৰাজকীয় ৰাজহুৱা দুৰ্গা পূজা পাতিছিল। কোঁচ ৰাজ্যৰ পৰা পূজাৰ বিধি শিকি আহোম ৰাজবংশৰ প্ৰতাপ সিংহই মাটিৰ প্ৰতিমা সজাই দুৰ্গা পূজাৰ প্ৰচলন কৰিছিল। পূৰ্বতে দুৰ্গা পূজাত অসমীয়া সমাজৰ অংশ গ্ৰহণ কিছু কম আছিল। ইয়াৰ কাৰণ হ'ল পৌৰাণিক মূলৰ অসমীয়া সমাজৰ প্ৰায় অৰ্ধেক লোকে বৈষ্ণৱ পন্থী আৰু মহাপুৰুষীয়া ধৰ্মৰ। যিহেতু দুৰ্গা পূজাত বলি বিধান আছে, সেয়ে বৈষ্ণৱ সকলৰ অংশ গ্ৰহণ কম আছিল। কিন্তু সময় বাগৰাৰ লগে লগে এনে অসমীয়া লোক সকলেও দুৰ্গা পূজা উলহ - মালহেৰে উদ্যাপন কৰিবলৈ লৈছে। বৰ্তমান সময়ত দুৰ্গা পূজাৰ কথা নজনা লোক প্ৰায় নাই বুলি কলেও অত্যুক্তি কৰা নহয়। দুৰ্গা পূজা প্ৰকৃত পক্ষে এক ধৰ্মীয় অনুষ্ঠান যদিও বৰ্তমান সময়ত সকলো শ্ৰেণীৰ মানুহে সহযোগিতা কৰাৰ ফলত ই এক উদাৰ সামাজিক অনুষ্ঠানত পৰিনত হৈছে। অগণন মানুহৰ মহা মিলনৰ এই মহোৎসৱে ইয়াৰ পৰিসৰ এনে ব্যাপক কৰি তুলিছে যে ইয়াক সমূহীয়া জাতীয় উৎসৱ হিচাপে গন্য কৰিব পৰা যায়।

অসমীয়াৰ জাতীয় উৎসৱ বহাগ বিহুৰ যি আনন্দ -উচ্ছাস, যি উলহ-মালহ, অপৰিমেয় উৎসাহ উদ্দীপনাৰ যি স্বতঃস্ফুৰ্ত আৰু জীৱন্ত প্ৰকাশ, দুৰ্গা পূজাত এই সকলোবোৰৰেই মূৰ্ত প্ৰতিফলন ঘটে। জাতীয় উৎসৱৰ যোগেদি একোটা জাতিৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ সামগ্ৰিক পৰিচয় স্পষ্টভাৱে প্ৰকাশিত হয়। জীৱনৰ ব্যথা - বেদনা, সুখ-দুখ আদি পৰিহাৰ কৰি, মনৰ কলুষ-কালিমা - সংকীৰ্ণতা আতৰাই বৃহৎ কল্যাণৰ উদ্দেশ্যৰে মানুহে জাতীয় উৎসৱ সমূহত মিলিত হয়।

আমাৰ দেশত দুৰ্গাপূজাক কোৱা হয় শাৰদীয় উৎসৱ। এই উৎসৱৰ সন্মিলনত আমি অনুভৱ কৰোঁ "আমি" হোৱাৰ বোধ - উপলব্ধি, সেয়েহে সকলো ধৰ্ম - বৰ্ণ মানুহৰ স্বতঃস্ফুৰ্ত অংশ গ্ৰহণত দুৰ্গোৎসৱ হৈ উঠে সাৰ্বজনীন শাৰদীয় উৎসৱ। এই সাৰ্বজনীনতাই সকলো সংকীৰ্ণতা আৰু ভেদাভেদ পাহৰাই, আমাক ইজনে সিজনৰ সৈতে মিলিত হোৱাৰ শক্তি প্ৰদান কৰে। ঠিক যিদৰে ঈদ, বৰদিন, বুদ্ধ পূৰ্ণিমা, হোলী, শংকৰদেৱৰ জন্মোৎসৱ ইত্যাদি ধৰ্মীয় আচাৰ সমূহ হৈ উঠে উৎসৱমুখৰ। ধৰ্মীয় আচাৰ- বিচাৰৰ উৰ্দ্ধত উঠি এনে উৎসৱ সমূহে ঘোষনা কৰে মানুহৰ মাজৰ মিলনৰ আহ্বান, কঢ়িয়াই আনে পৰস্পৰৰ বন্ধুত্ব পূৰ্ণ সম্পৰ্কৰ এক অমোঘ বাৰ্তা ...

উৎসৱৰ সৈতে গভীৰ যোগসূত্ৰ আছে শান্তিৰ। পাৰস্পৰিক শ্ৰদ্ধা, সন্মান আৰু সহমৰ্মিতাৰ পৰা সামাজিক শান্তিৰ যি পৰিৱেশ বিৰাজ কৰে সেয়ে উৎসৱৰ আনন্দক দুগুণে বঢ়াই তোলে। কিন্তু একশ্ৰেণীৰ স্বাৰ্থান্বেষী মানুহে কৌশলেৰে সদায়েই ধৰ্মীয় আচাৰ আৰু উৎসৱৰ মাজত বিৰোধ স্থাপন কৰি উৎসৱ আৰু শান্তিৰ পৰিৱেশক বিঘ্নিত কৰাৰ চেষ্টাত নিয়োজিত থাকে। সামাজিক মাধ্যমতো সচৰাচৰ এনে ধৰণৰ বিতৰ্কই তোলপাৰ লগাই থকা দেখা যায়। এই কথা পাহৰিলে নহব যে ধৰ্ম নিজৰ - নিজৰ, কিন্তু উৎসৱ সকলোৰে। আমাৰ দেশৰ সংস্কৃতিৰ অনন্য বৈশিষ্ট্য হৈছে, প্ৰতিটো ধৰ্মীয় উৎসৱত অন্য ধৰ্মৰ মানুহে আন্তৰিকতাৰে অংশ গ্ৰহণ কৰা আৰু উৎসৱৰ আনন্দ ভগাই লোৱাৰ প্ৰৱনতা। সকলোৰে নিজৰ ধৰ্ম চৰ্চা কৰা দৰকাৰ, কিন্তু লগতে এই কথাও মনত ৰখা উচিত যে ধৰ্ম সাধনাৰ মূলমন্ত্ৰ হৈছে মনুষত্বৰ সাধনা।

ধৰ্মীয় উৎসৱ উদ্‌যাপনৰ মাজেৰে আমি জাগ্ৰত কৰিব পাৰো মানবধৰ্ম আৰু মানবীয় মূল্যবোধ। অশুভ শক্তি বিনাশৰ বাবে অগ্ৰনী ভূমিকা পালন কৰিবলৈ মানুহক লাগিব মুক্ত চিন্তা কাৰণ মুক্ত চিন্তাই হে মানুহৰ দৃষ্টি ভঙ্গী উদাৰ কৰে আৰু একতাত বিশ্বাস কৰিবলৈ শিকায়। বিশ্বৰ প্ৰধান ধৰ্মৰ মৌলিক দৰ্শন অভিন্ন। অহিংসা, মৈত্ৰী আৰু সাম্য যিকোনো ধৰ্মৰ মূল উপজীব্য। আমাৰ সমাজত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰিবলৈ হলে সাম্প্ৰদায়িক সম্প্ৰীতি ৰক্ষা কৰিব লাগিব। জাতি - বৰ্ণ - ধৰ্ম নিৰ্বিশেষে সকলোৰে মাজত সম্প্ৰীতিৰ বন্ধনক দৃঢ় কৰিব লাগিব। নিজৰ ধৰ্মক যেনেকৈ আমি সকলোৱে ভাল পাওঁ, ঠিক তেনেকৈয়ে অন্য সম্প্ৰদায়ৰ ধৰ্মীয় বিশ্বাসৰ প্ৰতিও ৰাখিব লাগিব অটল শ্ৰদ্ধা।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে দুৰ্গা পূজা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰতো আমোলে পৰিৱৰ্তন ঘটিছে।

বৰ্তমান সময়ত পূজা ইমান জাকজমকতাৰে পতা হয় যে, পূজাৰ আধ্যাত্মিকতাতকৈ আড়ম্বৰপূৰ্ণতাইহে বেছি গুৰুত্ব পোৱা যেন অনুভৱ হয়। কোনে কিমান জাকজমকতাপূৰ্ণ মণ্ডপ সাজিব পাৰে তাৰেই যেন অঘোষিত প্ৰতিযোগিতা চলে। লাখ - লাখ টকাৰ শৰাধ কৰি বনোৱা হয় মণ্ডপ। মণ্ডপৰ বাহিৰৰ কাষৰীয়া ঠাইৰ পৰা আৰম্ভ কৰি চৌহদৰ ভিতৰত হৰেক ৰকমৰ দোকান পোহাৰৰ ভিৰ। বিভিন্ন মিঠাইৰ ওপৰিও আ-অলঙ্কাৰ, পুতলা, বেলুন আদিৰে দোকান পোহাৰ উপচি থাকে। আগৰ গুৰু গম্ভীৰ দুৰ্গা স্তোত্ৰৰ পৰিৱৰ্তে এতিয়া পূজা থলীত শুনো "ডিজে বক্সৰ" কাণ তাল মৰা শব্দ। মুঠতে পূজাও যেন হৈ পৰিছে ব্যৱসায়িক ভিত্তিত। পূজা আহিলে পুঁজিপতি ব্যৱসায়ীৰ আনন্দ বাঢ়ে। সাঁচতীয়া টকাকেইটা পুঁজিপতিক গটাই দি সিহঁতৰ জালত আমি হাবুডুবু খাওঁ। হলেও সাধাৰণ শ্ৰেণীৰ মানুহৰ সপোনবোৰ একেই থাকে। ভাবিলে আচৰিত হওঁ যে লাখ লাখ টকাৰ শৰাধ কৰি বাহুল্য কৰাৰ কি প্ৰয়োজন? দেৱীমাই জানো এনে বিলাসিতা বিচাৰে? দশমীৰ দিনা দেৱীমাৰ বিসৰ্জন হয়। এই নিয়ম পূৰ্বৰ পৰাই আছিল যদিও বিসৰ্জন পৰ্ব ইমান ডাঙৰ নাছিল। কিন্তু বৰ্তমানৰ বিসৰ্জন প্ৰক্ৰিয়াত "ডিজে" ৰ কাণ তাল মৰা শব্দৰ তালে তালে গাড়ীৰ সন্মুখত বা ওপৰত সুৰাৰ নিচাত পুৰুষ- মহিলাৰ নৃত্যৰ পয়োভৰ অত্যন্ত দৃষ্টিকটু যেন অনুভৱ কৰোঁ। বিসৰ্জন থলীতো মানুহৰ অতিমাত্ৰা কোলাহল, হেঁচা-ঠেলাৰ অনাঙ্কাক্ষিত পৰিৱেশৰ সৃষ্টি হয়। বিসৰ্জনৰ পাছত নদীত প্ৰতিমাৰ জৰিয়তে হোৱা প্ৰদূষণৰ আঘাত। এনে ধৰণৰ কথা বিলাকত পূজা কমিটি সকলে গুৰুত্ব দিয়াতো অতি প্ৰয়োজন।

পূজা আমাৰ কাম্য। কিন্তু ইয়াৰ পৰা যাতে দেশৰ অৰ্থনৈতিক ব্যৱস্থা তললৈ নাযায়, পৰিৱেশ বিনষ্ট নহয় ইয়াৰ বাবে সমিতি বিলাকে লক্ষ্য ৰাখিব লাগিব আৰু আমিও সজাগ হব লাগিব। চৰকাৰেও এনেবোৰ অৱস্থা ৰোধ কৰিবলৈ কিছু বিহিত ব্যৱস্থা লোৱা উচিত।

সময় চিৰপ্ৰবাহমান। সময়ৰ লগে লগে হোৱা পৰিৱৰ্তনক আমি কেতিয়াও ৰুধিব নোৱাৰো। আমি মাত্ৰ কামনা কৰোঁ শান্তিৰ এক সেউজ বাতাৱৰণ, য'ত সকলোৱে মুক্ত মনে উদ্‌যাপন কৰিব পাৰোঁ শাৰদীয় দুৰ্গা পূজা। পংকিলতাৰ পৰা আঁতৰি আহি নিৰিবিলি পৰিৱেশত কটাব পাৰোঁ এসন্ধ্যা। দেৱীৰ নামত ব্যৱসায় নহওঁক, গৃহযুদ্ধ নহওঁক, ধৰ্মীয় সংঘাট নহওঁক। দুৰ্গা পূজাৰ আয়োজন যেন অসমৰ সকলো মানুহৰ সন্মিলিত আয়োজনলৈ পৰিনত হয়। সকলো মানুহে ধৰ্মীয় ভেদাভেদ পাহৰি যেন এক সমন্বিত আয়োজনত নিজকে ব্ৰতী কৰি তোলে। শাৰদীয় দুৰ্গাপূজা তেতিয়াহে ৰূপান্তৰিত হ'ব শাৰদীয় দুৰ্গোৎসৱলৈ।

সমূহ অসমবাসী ৰাইজলৈ দুৰ্গাপূজা উপলক্ষে মোৰ আন্তৰিক শুভকামনা জনালোঁ।

# শাৰদীয় দুৰ্গোৎসৱৰ আনন্দ... তাহানিৰ আৰু এতিয়াৰ



মানসী মিশ্ৰ

শৰৎ আকৌ আহিছে এক অনামী অনুভৱ হয়। বাৰিষাৰ মেঘে ঢকা ক'লা আকাশ ফৰকাল হৈ উঠিছে। বৰ্ষাৰ উৎকট গৰমৰ পিছত কিছু পৰিমাণে এক ভাল লগা অনুভৱ। সঁচাকৈয়ে ছয়টা ঋতুৰ ভিতৰত শৰৎ ঋতু এক ভাল লগা ঋতু। কিয়নো গ্ৰীষ্ম, বৰ্ষাৰ এই দীঘলীয়া সময়ছোৱাত হোৱা উৎকট গৰমে মানুহক যথেষ্ট কষ্টত ৰাখে। ধাৰাষাৰ বৰষুণৰ ফলত হোৱা প্লাৱনে জনজীৱনৰ বহু ক্ষতি কৰে। বিভিন্ন ঠাইত মানুহ আৰু অন্যান্য জীৱ জন্তুৰো আলৈ আথানি হয়। এই আমনিদায়ক পৰিস্থিতিৰ পিছতে শৰৎ আহে আৰু ইয়াৰ লগে লগে বতৰৰো পৰিবৰ্তন হয়। উৎকট গৰমৰ শাম কাটে। আকাশ ফৰকাল হয়। নিশা শেৱালি ফুল। শেৱালিৰ আমোলমোল সুবাসে মানুহৰ মনত আনন্দৰ লহৰ তোলে। শেষ নিশাৰ নিয়ৰ টোপোলবোৰে পুৱাতেই শুভ্ৰ শেৱালিৰ পাহিত টোপাল টোপালকৈ জিলিকি এক অনন্য সুন্দৰ পৰিবেশৰ সৃষ্টি কৰে। দৰাচলতে প্ৰকৃতিয়ে আনি দিয়া এই বিনন্দীয়া পৰিবেশে মানুহৰ মনত কব নোৱাৰাকৈয়ে এক সুখানুভূতিৰ সৃষ্টি কৰে।

শৰতৰ এই বিনন্দীয়া পৰিবেশৰ মাজতেই আমাৰ মাজলৈ শাৰদীয় দুৰ্গোৎসৱ আহে। বতৰৰ এই সুন্দৰ পৰিবৰ্তন, তাৰ মাজতে ই উছৱৰ আগমন মানুহৰ মনটোক সঁচাকৈয়ে এক অনন্য আনন্দ প্ৰদান কৰে। আচলতে বতৰৰ লগত মানুহৰ মনৰ যথেষ্ট সম্পৰ্ক থাকে। এটি সুন্দৰ, ফৰকাল বতৰৰ আগমণৰ লগে লগে মানুহৰ মনত উছৱৰ আনন্দও অধিক হয়। সঁচাকৈয়ে আহিন মানেই যেন উছৱৰ বতৰ, শৰৎ ঋতু মানেই উছৱৰ বতৰ। বিশ্বকৰ্মা পূজাৰে আৰম্ভ হোৱা উৎসৱৰ ধাৰাটো ৰাস মহোৎসৱৰ লগে লগে সামৰণি পৰে। সেয়েহে বছৰটোৰ পৰা আহিবলগীয়া বছৰটোৰ সেই উৎসৱ পাৰ্বণৰ সময়লৈ সৰুৰে পৰা ডাঙৰলৈ মানুহে নানা সপোন সিঁচি থৈ দিয়ে। গতিকে সময়ৰ গতিত আকৌ সেই সময়খিনি আহি উপস্থিত হ'লে সকলোৰে আশা কৰি থাকে যে কিদৰে সেই সময়খিনি ৰঙ, আনন্দৰে পাৰ কৰিব পৰা যায়, নিৰাপদভাৱে অতিবাহিত কৰিব পৰা যায়।

এই শাৰদীয় দুৰ্গা পূজা আহিলেই মনটো পলকতে শৈশৱলৈ উৰি গুচি যায়। সচাঁকৈয়ে শৈশৱৰ কৈশোৰৰ সেই দিনবোৰত দুৰ্গা পূজা আহিলেই এমাহমান আগৰে পৰাই মনটো আনন্দৰে ভৰি পৰে। সেই সময়ত দুৰ্গা পূজা বুলিলেই আমি অপেক্ষা কৰিছিলোঁ মা-দেউতাৰ সৈতে নতুন কাপোৰ কিনা সেই দিনটোলৈ। কিমান যে ভাল লগা দিন আছিল সেইটো। সেইসময়ত পূজা আৰু বিহুৰ বতৰতে আমি একোযোৰ নতুন কাপোৰলৈ অপেক্ষা কৰি থাকোঁ। এতিয়াৰ দৰে ধনী দুখীয়া বুলি কথা নাই সেইসময়ত সকলোৰে পূজা, বিহু ইত্যাদিত এযোৰ কাপোৰেই কিনিছিল আৰু খুব বেছি দুযোৰ কাপোৰ। গতিকে তাতে আমাৰ আনন্দৰ সীমা নোহোৱা হয় কিয়নো সেইসময়ত এতিয়াৰ দৰে বিধে বিধে কাপোৰৰো প্ৰচলন নাছিল আৰু যেতিয়াই প্ৰয়োজন হয় তেতিয়াই নতুন কাপোৰ কানি লোৱা ব্যৱস্থৰো প্ৰচলন নাছিল। গতিকে পূজাৰ কাপোৰ কিনি ঘৰলৈ অনাৰ পিছত পূজা আহি পোৱাৰ সেই দিনটোলৈকে মাজে মাজে সাজযোৰ লিৰিকি বিদাৰি চাই আকৌ পূজাৰ সময়ত পিন্ধিবলৈ সযতনে সাঁচি ৰাখোঁ। ইয়াতেই এক বুজাব নোৱাৰা আনন্দ জড়িত হৈ থাকে। মা-দেউতাহঁতৰ সৈতে পূজাস্থলীত ভক্তিভাৱেৰে পূজা কৰিবলৈ যোৱা সেই দিনবোৰলৈ মনত পৰিলে এতিয়াও আনন্দত শিহৰিত হৈ উঠে। সেইসময়ত আজিৰ দৰে ইমান পূজাৰ সংখ্যাও নাছিল। এতিয়াৰ তুলনাত সংখ্যা হিচাপত পূজাৰ সংখ্যাও কম আছিল আৰু বৰ্তমান সময়ৰ দৰে আলোকসজ্জা আৰু আধুনিকতাৰ পয়োভৰ বহু পৰিমাণে কম আছিল।

কিন্তু একোটা জনবসতি এলেকাত স্থানীয় এলেকা একোটাত স্থানীয় দুৰ্গাপূজা অনুষ্ঠিত হয় আৰু সেইখন সেই এলেকাৰ সকলো মানুহৰ আপোন ঘৰৰ দুৰ্গা পূজাৰ দৰে। ইয়াত পূজা ভাগ সুচাৰুৰূপে সম্পাদন কৰিবলৈ স্থানীয় সকলো মানুহেই দেহে কেহে খাটি পূজাভাগ সুচাৰুৰূপে সম্পাদন কৰা হয়। স্থানীয় ৰাইজৰ দান বৰঙণিৰে এই পূজাভাগ সম্পাদিত কৰা হয়। ইয়াৰোপৰি শুভাকাংক্ষী, অন্যান্য পৰিচিত লোক সকলেও নিজৰ ইচ্ছানুসৰি দান বৰঙণি আগবঢ়ায় আৰু এই সকলোখিনি মিলিয়েই এই পাঁচদিনীয়া দুৰ্গা পূজাখন সফল ভাৱে সম্পাদিত হোৱাত সহায় কৰে। এতিয়াৰ আৰু তেতিয়াৰ দুৰ্গা পূজা অনুষ্ঠিত কৰাৰ এই ডাঙৰ প্ৰভেদটোৰেই আছিল যে এতিয়াৰ পূজা এখনত পূজা অনুষ্ঠিত কৰাৰ বিনিময়ত আয়োজক কমিটিয়ে এই দান বৰঙণি সংগ্ৰহৰ নামত নিৰিখ বান্ধি দিয়ে আৰু বেছিভাগ ক্ষেত্ৰতে এই নিৰিখ সকলো শ্ৰেণীৰ লোকৰ বাবে একে ধৰণৰ হয়। আনকি সেই স্থানীয় এলেকাৰ বাসিন্দা সকলৰ উপৰিও আন আন লোকৰ ক্ষেত্ৰতো পূজাৰ এই বৰঙণি নিৰ্দিষ্ট কৰি দিয়া হয় আৰু ইয়াৰ ফলত মানুহ বহুসময়ত বিমোৰত পৰা দেখা যায়। সকলো মানুহৰে সকলো সময়ত অৰ্থনৈতিক স্বচ্ছলতা একেধৰণৰ নাথাকে গতিকে এই লোকসকলৰ ক্ষেত্ৰত একপ্ৰকাৰৰ অসুবিধাৰ সৃষ্টি হয়। পূজাভাগ সফলতাৰে আৰু সুন্দৰকৈ সমাধা হওঁক বুলি নিজৰ ইচ্ছানুসৰি মুক্তহস্তে দান বৰঙণি আগবঢ়ায় আৰু সেইবাবে এই ক্ষেত্ৰত ইমান ধৰাবন্ধা নিয়ম বান্ধি দিয়া অথবা জোৰ জুলুম কৰা ব্যৱস্থাটো উচিত নহয় বুলি ভাবোঁ।

আজিৰ সময়ত নগৰ মহানগৰ আৰু ইয়াৰ উপকণ্ঠ অঞ্চল সমূহত সকলোতে পূজাস্থলী অথবা পূজা মণ্ডপৰ সংখ্যা বহুত বাঢ়ি গ'ল। পূজাৰ দিনকেইটাত এই প্ৰতিখন পূজামণ্ডপত যথেষ্ট সংখ্যক লোকৰ সমাগম হয় এনেকুৱা একোটা সময় আহে যিটো সময়ত জনসাধাৰণক নিয়ন্ত্ৰণ কৰিবলৈ একপ্ৰকাৰ অসুবিধাজনক হৈ পৰে। কিন্তু প্ৰায় দুই দশক, দেৰ দশক আগলৈকে এইধৰণৰ পৰিস্থিতি এটা অহা নাছিল। ৰাজ্যৰ ভিন্ন প্ৰান্ত, লগতে মহানগৰীতো পূজাৰ সংখ্যা এতিয়াৰ দৰে নাছিল। মহানগৰীক বাদ দি ৰাজ্যৰ অন্যান্য প্ৰান্তত অনুষ্ঠিত হোৱা পূজা সমূহ স্থানীয় পূজাৰ দৰে আছিল আৰু সেইসমূহত এজনে আনজনক ভালদৰে চিনি পাইছিল। গতিকে কোনোবাই কিবা অসুবিধাত পৰিলেও এজনে আনজনক পৰিয়ালৰ সদস্যৰ দৰে সহায় কৰিছিল। পূজা মণ্ডপ সমূহ যথেষ্ট শৃংখলাবদ্ধ আছিল আৰু প্ৰতিখন পূজা বহুত নিয়াৰিকৈ সম্পাদিত হৈছিল।

আমাৰ শৈশৱ, কৈশোৰ আৰু প্ৰাক্ যৌৱনৰ দিনৰ দুৰ্গোৎসৱৰ দিনসমূহলৈ যদি মনত পেলাওঁ তেন্তে পূজা মণ্ডপসমূহত ঘাইকৈ এক আধ্যাত্মিক আৰু গাম্ভীৰ্য্যপূৰ্ণ পৰিৱেশে বিৰাজ কৰিছিল। প্ৰায় প্ৰতিখন পূজা মণ্ডপতে সন্ধিয়া সময়ত আৰতিৰ অনুষ্ঠান, বিভিন্ন নামৰ অনুষ্ঠান, ওজাপালি, ঢুলীয়া, খুলীয়া আদিৰ বিভিন্ন অনুষ্ঠান পৰিৱেশন কৰা হয় যিটো সময়ত সেই পৰিৱেশত এক ভক্তিভাৱৰ সৃষ্টি হয় আৰু এই অনুষ্ঠান সমূহ উপভোগ কৰি মানুহে এক ভক্তিৰসত বুৰ যাব পাৰে। বহুদিনলৈ তেওঁলোকে এক মানসিক আনন্দ লাভ কৰি থাকে আৰু ইয়াৰ জৰিয়তে তেওঁলোকে বিভিন্ন মানসিক চাপৰ পৰা নিজকে মুক্ত কৰিব পাৰে। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই দিশসমূহৰ বহুখিনি পৰিৱৰ্তন হ'ল। এতিয়া শাৰদীয় দুৰ্গোৎসৱৰ সময়ত সৌন্দৰ্য্য প্ৰতিযোগিতাৰ হে আয়োজন কৰা হ'ল। গতিকে সাজপোছাক, সৌন্দৰ্য্যক লৈ প্ৰতিখন পূজাস্থলীত এই কথাসমূহক লৈহে মানুহ অধিক ব্যস্ত হৈ পৰা দেখা যায়। একোখন এনে আধ্যাত্মিক স্থলীত সৌন্দৰ্য্য প্ৰতিযোগিতাই ইয়াৰ এই গুৰু গম্ভীৰ পৰিৱেশটো আনফালে ধাবিত কৰা দেখা যায়। বিশেষকৈ দুৰ্গা পূজাৰ দৰে একোটা সাৰ্বজনীন আধ্যাত্মিক অনুষ্ঠানক সৌন্দৰ্য্য প্ৰতিযোগিতাৰ নামত বাণিজ্যিকীকৰণ কৰাহে দেখা গৈছে। মানুহক একতাৰ ডোলেৰে বান্ধি এক আধ্যাত্মিক মনোভাৱ জগাই তোলাত এই দুৰ্গাপূজাই সমাজত এক সৱল ভূমিকা গ্ৰহণ কৰি আহিছে। গতিকে সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন হ'লেও আমি দুৰ্গাপূজাৰ এই নিজস্বতা অক্ষুণ্ণ ৰাখিবলৈ চেষ্টা কৰিব লাগে।

আমাৰ সমাজখনত আন্যায়, অনীতি, বিশৃংলতা ইমান বাঢ়ি গৈছে গতিকে এই সমূহ ৰোধ কৰাৰ বাবে মানুহৰ মাজত আধ্যাত্মিক ভাৱধাৰা জগাই তোলাৰ যথেষ্ট প্ৰয়োজনীয় হৈ পৰিছে। গতিকে সমাজত মানুহৰ মাজত আধ্যাত্মিক চিন্তা চেতনা জগাই সমাজখনক সুন্দৰ আৰু শৃখংলাবদ্ধ ভাৱে আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত আমাৰ সমাজখনৰো এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। আমাৰ সমাজখনেই এই ভূমিকা নিষ্ঠাৰে পালন কৰি সমাজখনক সুন্দৰ কৰি ৰখাত সহায় কৰক।

# দুৰ্গোৎসৱৰ উৎপত্তি আৰু বিকাশঃ এটি অৱলোকন

নাছিৰ আহমেদ, শিমলাবাৰী, গোৱালপাৰা



অতি প্ৰাচীন কালৰে পৰা পৃথিৱীৰ সকলো প্ৰান্তে প্ৰান্তে পৰম্পৰাগত ভাবে নাৰী দেৱীৰ পূজা উপাসনা চলি আহিছে। নাৰী মূৰ্ত্তিৰ ভিতৰত অষ্ট্ৰিয়াৰ উইলেনডৰ্ফৰ এটি মন্দিৰৰ ভগ্নস্তূপৰ খনন কাৰ্যৰ পৰা উদ্ধাৰ কৰা হৈছে প্ৰায় বিছ হেজাৰ বছৰ পুৰণি চুনশিলেৰে নিৰ্মিত এক প্ৰকাণ্ড স্ফীতোদৰা নাৰী মূৰ্ত্তি।

এই নাৰী মূৰ্ত্তিকেই ভেনাছ বা মহামাই বুলি গণ্য কৰা হয়। আমাৰ দেশতো দুৰ্গাদেৱীক মহামাই বুলিও কোৱা হয়।

ইয়াৰ উপৰিও চাইবেৰিয়া, ইজিপ্তৰ আইচিচ দেৱী গ্ৰীক ভূ মাতৃ ডিমিটাৰ, মেক্সিকো পেৰু বেবিলন ৰোমৰ উপাস্য দেৱী ভেনাছ আৰু ডায়েনা আফ্ৰিকাৰ বিভিন্ন অঞ্চল, চীন, জাপান ইত্যাদি দেশত ভূমিদেৱীক (কৃষিদেৱী) বিভিন্ন ৰূপত পূজিত হয়।

নৃতত্ত্বিদ সকলৰ মতে পৃথিৱীত আনুষ্ঠানিক ধৰ্মসমূহ প্ৰৱৰ্তন হোৱাৰ আগতে আদিম মানৱ সমাজ নাৰী-প্ৰধান আছিল। নাৰীয়েই আছিল সমাজৰ চালিকা শক্তি। এনেকি মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ ধাৰা প্ৰবাহিত হৈ যি কৃষি ভিত্তিক সমাজ- ব্যৱস্থা গঢ়ি উঠিছিল এই কৃষি-কাৰ্যৰ মূল হোতাই আছিল নাৰী। ইতিহাসবিদ জে দি বাৰ্ণালে “Science in History” গ্ৰন্থত উল্লেখ কৰিছে যে, নাৰী সকলে শস্য সংগ্ৰহ কৰিছিল, নাঙল আৱিষ্কাৰ হোৱাৰ আগতে খন্তি আদি অস্ত্ৰ ব্যৱহাৰ কৰি নাৰীসকলে শস্যৰ গুটি বা শিপা উভালি গাঁত খান্দি শস্য ৰোপন কৰিছিল। এতিয়াও জনজাতীয় লোকসকলে এই পদ্ধতিৰে পাহাৰত জুম খেতি কৰা দেখা যায়। ইতিহাসবিদ গাইলচৰ মতে যেতিয়া জনজাতীয় পুৰুষসকলে বনে বনে চিকাৰ কৰাত ব্যস্ত আছিল, তেতিয়া নাৰীসকলে বাসস্থানৰ ওচৰে পাজৰে জোঙা কাঠৰ টুকুৰা বা শিলৰ কোৰেৰে মাটি খান্দোতে কৃষি কাৰ্যৰ আৰম্ভণি। ব্ৰিফল্ট দেৱী প্ৰসাদ চট্টোপাধ্যায়ো নাৰীয়েই কৃষি কাৰ্যৰ আৱিষ্কাৰক বুলি কৈছে।

আদিম মানৱ সমাজ ব্যৱস্থাত নাৰী কেৱল কৃষি কাৰ্যৰ আৱিষ্কাৰক নহয়, তেওঁলোক উৰ্বৰতাৰো প্ৰতীক। সমাজত বিবাহ- পদ্ধতি প্ৰচলন নোহোৱাৰ আগলৈকে নাৰীসকলে প্ৰিয়জনৰ সৈতে অবাধ ভাবে যৌন-জীৱন পালন কৰিছিল। ছান্দোগ্য উপনিষদৰ চতুৰ্থ অধ্যায়ত বৰ্ণিত আখ্যান সত্যকাম- জাবানলৰ কাহিনীৰ পৰাও ইয়াৰ প্ৰমান পোৱা যায়। জাবানে গুৰু গৌতমৰ ওচৰত শিক্ষালাভ কৰিবৰ বাবে যোৱাৰ সময়ত মাক জাবানলক গোত্ৰৰ কথা সোধাত মাতৃয়ে তেওঁৰ পিতৃ পৰিচয় বা গোত্ৰৰ পৰিচয় নাই বুলি কৈছিল। যি কি নহওঁক, সেই সময়ত বহুত পুৰুষে নাৰীৰ সংগ-সুখ লাভ কৰিবলৈ নাৰীক দেৱীৰ শাৰীত তুলি ধৰি অনুনয় বিনয় কৰিছিল। তাৰ পৰাই নাৰী দেৱীৰ পূজা উপাসনা আৰম্ভ হৈছিল বুলি নৃতত্ত্বিদ সকলে কব বিচাৰে। পৰৱৰ্তী কালত নাৰীক কেন্দ্ৰ কৰি সৰু সৰু গোটসমূহৰ মাজত দ্বন্দ্ব - সংঘাত সৃষ্টি হোৱাত শক্তিশালী গোটে দূৰ্বল গোটৰ মানুহক বলি দি নিজৰ গোটৰ মুখ্য নাৰীগৰাকীক সন্তোষ্টি দান কৰিছিল। তাৰ পৰাই নৰবলি প্ৰথা প্ৰচলিত হৈছিল বুলি কোৱা হয়।

কিন্তু, অতি প্ৰাচীন কালৰে পৰা পৃথিৱীৰ প্ৰান্তে প্ৰান্তে পৰম্পৰাগত ভাবে নাৰী দেৱীৰ পূজা উপাসনাৰ ক্ষেত্ৰত নাৰীক ধৰিত্ৰী মাতৃৰূপে, ভূমি মাতৃৰূপে বা কৃষিদেৱী ৰূপে পূজা উপাসনা কৰা দেখা যায়।

এতিয়া, আমি দুৰ্গোৎসৱ বা দুৰ্গা দেৱীৰ পূজা- অৰ্চনা কৰাৰ উৎপত্তি আৰু বিকাশ সম্বন্ধে লিখিবলৈ প্ৰয়াস মত কৰিম।

ভাৰতত অতি প্ৰাচীন কালৰে পৰাই নাৰী-ৰূপী আদ্যাশক্তিৰ বিকাশ আৰু বিস্তৃতি ঘটিছে।

ঋকবেদৰ “দেৱীসুক্ত” ত দেৱীয়ে নিজে ঘোষণা কৰিছে যে, তেওঁৰ মহিমা সুদূৰ-প্ৰসাৰী। আৰু সি দুল্যোক পাৰ হৈ পৃথিৱীকো চেৰাই গৈছে। তেওঁ দেৱী সনাতনী নিত্যা সৃষ্টি, পালন আৰু সংহাৰকাৰিণী মহাশক্তি। সেই কাৰণে নাৰীদেৱী আৰু শক্তিদেৱীৰ উপাসনা তত্ত্ব বা মাৰ্গ নৃতাত্বিক আৰু সাংস্কৃতিক সংশ্লেষণ বুলি গণ্য কৰা হয়।

দুৰ্গোৎসৱৰ উৎপত্তিৰ মূল আধাৰ হ'ল অশুভ শক্তিৰ প্ৰতীক অসুৰক বধ কৰি শুভ শক্তিৰ প্ৰতীক দেৱতাসকলক ৰক্ষা কৰা। যেতিয়া মহীষাসুৰৰ অত্যাচাৰত ব্যতিব্যস্ত হৈ দেৱতাসকলে ব্ৰহ্মাক কাকতি - মিনতি কৰিছিল, তেতিয়া ব্ৰহ্মাই দেৱতাসকলৰ পৰা তেজ, মঙহ, হাড় আদি লৈ আদ্যাশক্তি দূৰ্গাদেৱীক সৃষ্টি কৰি মহিষাসুৰক বধ কৰি দেৱতাসকলক ৰক্ষা কৰিছিল। দুৰ্গা পূজাৰ অবিচ্ছেদ্য অঙ্গ হিচাপে “চণ্ডীপাঠ” ত উল্লেখ আছে যে, প্ৰকৃততে পৰম ব্ৰহ্মাই বিভিন্ন মায়া কৰি দুৰ্গা- চণ্ডী, কালী-তাৰা, ভূৱনেশ্বৰী বগলা, ছিন্নমস্তা, উমা, পাৰ্বতী, মহিষমৰ্দ্দিনী আদি বিভিন্ন ৰূপ লৈ আদ্যাশক্তিৰূপে মহিষাসুৰ আৰু ৰক্তবীজ আদি অসুৰক বধ কৰিছিল। পৰম ব্ৰহ্মৰ আদ্যাশক্তিক উদ্দেশ্য কৰি সংস্কৃত শ্লোকত কোৱা হৈছে যে,

“ যা দেৱী সৰ্বভূতেষু, মাতৃ-
ৰূপেন সংস্থিতা, নমস্তসৈ,
নমস্তসৈ নমঃ নমঃ ”

দুৰ্গা পূজাৰ সময়ত দেৱীক উদ্দেশ্যি পুৰোহিতো মন্ত্ৰ উচ্চাৰণ কৰে এইবুলি যে,

“ ধনং দেহি, যশং দেহি, বিদ্যাং
দেহি, দ্বিষো জহি।”

অৰ্থাৎ শত্ৰুহীন ধন, যশ আৰু বিদ্যা দিয়া ।

দেৱী ভাগৱত অনুসৰি প্ৰথমতে সুৰথ ৰজাই দুৰ্গা পূজা আৰম্ভ কৰিছিল। তাৰ পিছত ৰজা ৰামচন্দ্ৰই ৰাক্ষস ৰাৱণক অকাল বোধন কৰিবলৈ শৰৎ কালত দুৰ্গোৎসৱৰ সূচনা কৰিছিল।

মহাভাৰতত মহিষাসুৰ হন্তা হিচাপে স্কন্ধ শিৱ আৰু দুৰ্গাৰ নাম পোৱা গৈছে। বৰ্তমান দুৰ্গাৰ ৰণমুখী ৰূপ অগ্নি পুৰাণৰ পৰা আহিছে। প্ৰকৃততে আৰ্যসকল ভাৰতত প্ৰৱেশ কৰাৰ সময়ত তেওঁলোক আছিল প্ৰকৃতিৰ পূজাৰী। প্ৰকৃতিৰ বিভিন্ন শক্তিক আৰ্য সকলে সূৰ্য, চন্দ্ৰ ইন্দ্ৰ বৰুণ অগ্নি আদি বিভিন্ন ৰূপত উপাসনা কৰিছিল। কিন্তু ভাৰতত প্ৰৱেশ কৰাৰ পিছত অনাৰ্যসকলৰ লগত সংমিশ্ৰণ হোৱাৰ ফলত আৰ্যসকলে বিভিন্ন দেৱ-দেৱীৰ পূজা উপাসনা আৰম্ভ কৰিছিল। বিশেষকৈ শাক্ত ধৰ্মৰ অৱলম্বনত তেওঁলোকে বিভিন্ন নাৰী দেৱীৰ পূজা উপাসনা আৰম্ভ কৰিছিল। এই নাৰী দেৱীসকল হ'ল, দুৰ্গা, ত্ৰিপুৰী বা ষোড়শী, কালী, তাৰা, ভূৱনেশ্বৰী, বাঘেশ্বৰী, সিদ্ধেশ্বৰী, বগলা, অৰুন্ধতী ছিন্নমস্তা, উমা, পাৰ্বতী, অন্নপূৰ্ণা, জগদ্ধাত্ৰী, মহিষমৰ্দিনী, মনসা, সৰস্বতী, গায়ত্ৰী ইত্যাদি।

প্ৰথমতে আৰ্যসকলে এই দেৱী সমূহক কেৱল উপাসনাহে কৰিছিল। পৰৱৰ্তী অনাৰ্যসকলৰ সংস্পৰ্শলৈ আহি মূৰ্তিপূজা (পুষ্প দি সেৱা) আৰম্ভ কৰিছিল।

ভাৰতত আটাইতকৈ পুৰণি মহিষমৰ্দিনী দেৱীমূৰ্তি ৰাজস্থানৰ টংক জিলাত পোৱা গৈছে। গুপ্ত যুগতে দুৰ্গাদেৱীক সপ্তমাতৃ ৰূপে পূজা উপাসনা কৰাৰ প্ৰমাণ পোৱা গৈছে। মহাবলিপুৰমত পোৱা শিলৰ দুৰ্গা দেৱীৰ মূৰ্তিটো সিংহৰূঢ়া আৰু অষ্টবাহুযুক্ত (৬৫০খৃষ্টাব্দত) দুৰ্গা দেৱীক শস্যাধিপতি অন্নপূৰ্ণাও কোৱা হয়। দুৰ্গা পূজাৰ লগত লক্ষ্মী পূজাও কৰা হয়। নৃতত্ত্বিদ ৰাম প্ৰসাদ চন্দ্ৰই কৈছে যে দুৰ্গাদেৱী শাকম্বৰী অৰ্থাৎ শস্যৰ অধিকাৰী। সেই কাৰণে তেওঁক অন্নদা বা অন্নপূৰ্ণাও কোৱা হয়।

ব্ৰিটিছ যুগত পশ্চিমবঙ্গত বঙ্গীয় সামন্ত শ্ৰেণীয়ে আভিজাত্যৰ প্ৰতীক হিচাপে দুৰ্গা পূজাৰ প্ৰচলন কৰিছিল।

পৰৱৰ্তী ১৯১৮ চনত পশ্চিমবংগৰ যুৱকসকলে দুৰ্গা পূজাক বাৰোৱাৰী পূজা হিচাপে সাৰ্বজনীনতা দি এই পূজাত সকলৰ বাবে প্ৰৱেশ দুৱাৰ খুলি দিছিল।

আমাৰ অসমত নৱম আৰু দ্বাদশ শতিকাত মাটিৰ তলত বহুত শিল আৰু ধাতুৰে নিৰ্মিত নাৰীমূৰ্তি পোৱা গৈছে। তাৰ ভিতৰত দুৰ্গা গোসাঁনীৰ মূৰ্তিয়েই সৰহ। পুৰণি কালত শিল আৰু ধাতুৰে বিভিন্ন ধৰণৰ অস্ত্ৰ, বাচন- বৰ্তন আৰু মূৰ্তি বনাইছিল। তাৰ পৰাই পৰৱৰ্তী মূৰ্তিপূজাৰ প্ৰচলন হয় বুলি ভৱাৰ থল আছে। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰত দেৱীপূজাৰ উল্লেখ আছে। আহোম যুগত অসমত দুৰ্গোৎসৱ ব্যাপক ভাবে উদ্‌যাপন কৰা দেখা যায়। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বকালত পশ্চিমবঙ্গৰ পৰা দুৰ্গাপূজা অসমত আনি প্ৰচলন কৰে বুলি ইতিহাসবিদ সকলে মন্তব্য কৰিছে। ৰাণী ফুলেশ্বৰী দেৱীৰ সময়ত কবি অনন্ত আচাৰ্যই সংস্কৃত ভাষাৰ “ সৌন্দৰৰ্য্য লহৰী” আনন্দ লহৰী নামেৰে অসমীয়া ভাষাত অনুবাদ কৰিছিল ; য'ত দেৱীৰ মাহাত্ম্য আৰু সৌন্দৰ্য্যৰ বৰ্ণনা আছে। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত কবি ৰুচিনাথ কন্দলীয়ে মাৰ্কণ্ডেয় চণ্ডীপুৰাণ আৰু কল্কি পুৰাণ কালিকা পুৰাণৰ পৰা লোৱা। কবি ৰামচন্দ্ৰ বৰপাত্ৰই যোগিনী তন্ত্ৰ অনুবাদ কৰিছে। এই আটাইবোৰ গ্ৰন্থ শাক্ত ধৰ্মৰ অৱলম্বনত ৰচিত।

ডঃ বাণীকান্ত কাকতি দেৱে এই দেৱীৰ চাৰিটা স্বৰূপ যেনে, মাতৃৰূপা, পত্নীৰূপা, কুমাৰী ত্ৰিপুৰা সুন্দৰীৰূপা, সংহাৰৰূপিনী কেঁচাইখাতীৰূপে বৰ্ণনা কৰি তাৰ ভিতৰত মাতৃৰূপা কামাখ্যাক শক্তিৰ প্ৰধান উৎস বুলি কৈছে ।

এই দুৰ্গাদেৱীক অসমৰ বিভিন্ন ঠাইত বিভিন্ন নামেৰে জনা যায়। লখিমপুৰত কেঁচাইখাতী, নীল গোসাঁনী মালিনী, শিৱসাগৰত দুৰ্গা, গৌৰী, বুঢ়ী গোসাঁনী, নগাঁৱত কামাখ্যা, মহালয়া, চামুণ্ডা, মহিষমৰ্দিনী, কামৰূপত কামাখ্যা, উগ্ৰতাৰা, ভূৱনেশ্বৰী, চণ্ডিকা, জয়দুৰ্গা, নাহেশ্বৰী, ব্যাঘ্ৰেশ্বৰী, গোৱালপাৰাত মা দুৰ্গা, মা ভৱানী, পাৰ্বতী, মহিষমৰ্দিনী, মনসা আদি ৰূপে জনা যায়।

এনেদৰে গোটেই পৃথিৱীতে বিভিন্ন ৰূপত দেৱীক পূজা উপাসনা কৰাৰ দৰে আমাৰ ভাৰতবৰ্ষতো বিভিন্ন ৰূপত দেৱীৰ পূজা-অৰ্চনা পৰম্পৰাগত ভাবে চলি আছে। ডঃ প্ৰফুল্ল দত্ত গোস্বামী দেৱৰ মতে দেৱীপূজা বা দুৰ্গাপূজা সম্পৰ্কে আৰু বিতংকৈ গৱেষণা কৰাৰ থল আছে।

# কিংবদন্তি জুবিন(জীৱন বৰঠাকুৰ)

**ৰুলী গোহাঁই, মৰিগাঁও**




জীৱনটোৰ ভাল সময়বোৰ এনেদৰেই সোনকালে আঁতৰি গুছি যায়। জুবিন গাৰ্গৰ সময় আমাৰ বাবে আছিল এক ভাল সময়। কিন্তু তেওঁ সময়টোক ধৰি ৰাখিব নোৱাৰিলে। তেওঁৰ নিজৰ জীৱনটোৰ প্ৰতি যেন মোহেই কৰিব নাজানিছিল। তেওঁ আনৰ কাৰণেই জীৱনটো বিলাই দিছিল। মাতৃ আৰু ভগ্নীক হেৰুওৱাৰ বেদনা বুকুত লৈ জ্বলি জ্বলি সুবাস বিলাই শেষ হৈ যোৱা ধূপৰ দৰেই তেওঁ নিজৰ জীৱনটোক আনৰ বাবে উচৰ্গা কৰিছিল। তেওঁৰ উচ্ছৃংখল আৰু খেয়ালি স্বভাৱটোৱে বহু সময়ত বহু বিতৰ্কৰ সৃষ্টি কৰিলেও তেওঁ তাৰ মাজৰ পৰা অনায়াসে ওলাই আহিছিল। পশু-পক্ষী আৰু প্ৰকৃতিক ভালপোৱা জুবিন গাৰ্গ সঁচাকৈয়ে এজন অসাধাৰণ লোক আছিল। ধনী-দুখীয়া সকলো লোক তেওঁৰ বাবে অভিন্ন আছিল। জুবিন গাৰ্গে নিজকে এজন বিশিষ্ট লোক হিচাপে ভাবি লৈ কেতিয়াও আনৰ পৰা নিজক আঁতৰাই ৰখা নাছিল। অনুষ্ঠান পৰিৱেশণ কৰিবলৈ যাওঁতেই হওকবা নিজৰ ঘৰখনতেই হওক সদায়েই সকলো সহযোগীৰ লগত সমানে একেলগে বহি আহাৰ গ্ৰহণ কৰে বুলি জানিব পাৰিছিলো। দুখীয়া-দৰিদ্ৰৰ দুখত তেওঁৰ হৃদয় উচুপি উঠিছিল। আনৰ সন্তানকেই নিজৰ সন্তান বুলি ভাবি লোৱাৰ বাবেই হয়তো তেওঁ নিঃসন্তান হৈ থাকিল। জুবিন গাৰ্গৰ সাহসিকতা আৰু স্পষ্টবাদিতা সকলোৰে স্বীকাৰ্য। তেওঁৰ আচাৰ-আচৰণত শিশু-সুলভ স্বভাৱ পৰিলক্ষিত হৈছিল আৰু সেই বাবেই শিশুৰ পৰা বয়োবৃদ্ধ জনলৈকে তেওঁ অতি মৰমৰ আৰু আদৰৰ শিল্পী হৈ পৰিছিল। জুবিন গাৰ্গে তেওঁৰ গীত সমূহ সৰ্বসাধাৰণ সকলো লোকে সহজে অনুধাৱণ কৰি বুজিব আৰু গাব পৰাকৈ সৃষ্টি কৰিছিল। তেওঁৰ সিংহৰ দৰে গৰ্জনে সৰ্বসাধাৰণৰ অন্তৰত সাহস যোগাইছিল। আজি সেই মহান শিল্পী জনৰ মৃত্যুৰ দিনটোত হিন্দু-মুছলমান, মিৰি, কৰ্বত্য আদি সকলো জাতি ধৰ্মৰ লোকে একে শাৰীতে থিয় হৈ কোনোৱে জুবিন, কোনোৱে জুবিন দা, কোনোৱে জুবিন দাৰ জয় বুলি একেলগে চিঞৰি উঠিছে, হিয়া ধাকুৰি ফেকুৰি ফেকুৰি কান্দিছে। জুবিন গাৰ্গ অসমবাসী ৰাইজৰ বাবে ভগৱান স্বৰূপ! প্ৰতি গৰাকী অসমীয়াৰ হৃদস্পনদন। ভগৱান শ্ৰী কৃষ্ণৰ বাঁহীৰ সুৰত যি দৰে গোকুলৰ গোপীসৱে ঘৰ, স্বামী, সন্তান সকলোকে এৰি কৃষ্ণৰ প্ৰেমত মতলীয়া হৈ লৰবৰি আহিছিল; ঠিক সেইদৰে জুবিন গাৰ্গৰ অনুষ্ঠান বুলিলে শিশুৰ পৰা বয়োজ্যেষ্ঠজনলৈকে সকলোৱে ঘৰ শূণ্য কৰি ওলাই আহিছিল প্ৰাণৰ শিল্পী জনক হেঁপাহ পলুৱাই চাবৰ বাবে, তেওঁৰ গীত শুনিবৰ বাবে আৰু হয়তো কোনোৱে তেওঁক একেবাৰে কাষৰ পৰা চাই চুই চাবৰ বাবে। এই প্ৰেম সাধাৰণ প্ৰেম নহয়! এই প্ৰেম আছিল আধ্যাত্মিক! কাম-বাসনাহীন আত্মাৰ মিলন। তেনে এজন দেৱ-শিল্পীৰ অকাল মৃত্যুৱে সমগ্ৰ অসমীয়া জাতিক নিথৰুৱা কৰি তুলিলে। জাতিৰ বাবে তেওঁৰ সৃষ্টি আধৰুৱা হৈ ৰৈ গ'ল।

জুবিন গাৰ্গে অসমীয়া জাতিৰ জাতীয় সত্তাক অসমৰ চুক- কোণৰ পৰা বুটলি আনি নৱ সৃষ্টিৰে আলোকিত কৰি তুলিছিল। জুবিনেই আছিল একমাত্ৰ প্ৰথম ভাৰতীয় সংগীতজ্ঞ যিয়ে নেকি বাংলা আৰু হিন্দী ভাষাৰ চলচিচত্ৰৰ সংগীতৰ কাম কৰিছিল আৰু গীত গাইছিল। লগতে তেওঁ বিষ্ণুপ্ৰিয়া,মণিপুৰী, বড়ো, ডিমাচা, ইংৰাজী, গোৱালপৰীয়া, কন্নড়, মালায়ালম, মাৰাঠি, মিচিং, নেপালি, ভোজপুৰী, ওড়িয়া, তিমি, সংস্কৃত, তামিল, সিন্ধু আদিকে ধৰি ৪০টা ভাষা উপভাষাৰ গীত গাইছিল। অসম বাসীৰ বাবে জুবিন গাৰ্গ আছিল লুইত কণ্ঠ, গ'ল্ডি, হাৰ্ট থ্ৰৱ আৰু জুবিন দা। তেওঁ আছিল অসমৰ Rockstar, Legendary Singer... এনে এজন কিংবদন্তি আমাৰ মাজৰ পৰা হেৰাই গ'ল চিৰদিনৰ বাবে। হেৰাই গ'ল এটা জাতীয় সত্তা! ৰৈ গ'ল মাথো স্বকীয় মহিমাৰে তেওঁৰ অমৰ সৃষ্টি। পৰ্বত, পাহাৰ, আকাশ, বতাহ সকলোতে ঠেকা খাই প্ৰতিধ্বনি হৈ ঘূৰি ৰি সদায়েই আহিব সেই সুৰীয়া কণ্ঠ। কায়িক ভাৱে নাথকিলেও তেওঁৰেই ছাঁয়া হৈ তেওঁৰ সৃষ্টি ৰাজি আমাৰ মাজত জীয়াই থাকিব। লুইত কণ্ঠ মৃত্যু জিনি অমৰ হৈ ৰ'ল। কোনে মৃত্যুৱে মানুহক সন্ত্ৰস্ত কৰে, কোনো মৃত্যুৱে সাহস যোগায়। সেইদৰে কেতিয়াবা মৃত্যুত সমাপ্তি আৰু আৰম্ভণ্ড হয়। জুবিনৰ মৃত্যুৱে জনসাধাৰণক এখন নতুন পৃথিবীৰ সন্ধান দি থৈ গ'ল। হে অমৰ কণ্ঠ ঈশ্বৰে তোমাক দেৱলোকত স্থান দিয়ক। শেষত তোমালৈ শতকোতি প্ৰণাম জনালো..

## সূৰ্যাস্ত

**অসীম জ্যোতি দাস**



এটা যুগ শেষ হ'ল  
এটা যুগ শেষ হ'ল....  
এটা সূৰ্য অস্ত গ'ল  
যিটো সূৰ্যৰ পোহৰ লৈ  
এটা জাতি আছিল জিলিকি  
সেই সূৰ্য আজি সাত সাগৰ তেৰ নদীৰ সিপাৰে অস্ত গ'ল!  
বুঢ়া লুইতৰ বুকুৰেদি নামি আহিছিল সেই সূৰ্য,  
আৰু দুয়োপাৰ বান্ধিছিল সুৰৰ ৰাগীৰে  
আজি সেই সূৰ্য অস্ত গ'ল!  
কোনো দিনে উদয় নোহোৱাৰ কথা দি  
সেই সূৰ্য অস্ত গ'ল,  
এটা যুগ শেষ হ'ল......  
বুঢ়া লুইতৰ বুকুৰেদি নামি আহোঁতে  
লগত আনিছিল সুৰৰ গাগৰি  
মৌসনা মিঠা মাতে আই অসমীক দিছিল  
আঁচল ভৰাই সুৰৰ ফুল।  
আজি সেই সূৰ্য নোহোৱা হ'ল,  
অসমৰ সুৰৰ জগত আজি ৰ'দ হীন হ'ল  
এটা যুগ শেষ হ'ল.........  
এখন নৈ শুকাই গ'ল  
য'ত চিৰ প্ৰবাহিত হৈ আছিল,  
শংকৰ-মাধৱৰ ঘোষা বৰগীত কীৰ্তনৰ সুৰ,  
য'ত বিশ্বই শুনিছিল জ্যোতি বিষ্ণুৰ কালজয়ী সুৰ  
সেই নৈয়েই শুকাই গ'ল!  
এটা যুগ শেষ হ'ল  
এটা যুগ শেষ হ'ল.............

## আই এম লিজেণ্ড



**ইভা গন্ধীয়া ফুকন**

আজি বিৰাট এটা শূণ্যতা  
মানুহৰ মাজত থাকি ভালপোৱা মহনায়কৰ মহাপ্ৰয়াণ  
মৃত্যুও যদি হয় শিল্প  
তেনে শিল্পক জয় কৰাৰ শকতি  
নাছিল নে তোমাৰ  
বিশাল সাগৰে বুজিব নোৱাৰিলে তোমাৰ বিশালতা  
নে গানৰ দৰে মৃত্যুও সহজ বুলি ভাবিলা  
বিশ্বৰ চতুৰ্থ শেষ যাত্ৰাৰ সমদল লৈ  
তুমি ৰোৱা চন্দন গছৰ ডালেৰে সজোৱা  
চন্দন কাঠৰ চিতাত উঠি  
আৰক্ষীৰ চালামি লৈ  
মঙ্গল মন্ত্ৰোচ্ছাৰণৰ ধ্বনিত  
ধোঁৱা হৈ বিলীন হ'লা পঞ্চভূতত  
অপলক নেত্ৰে চাই ৰৈ থাকিল অগণন অনুৰাগী  
চিৰ জ্যোতিষ্মান তুমি জুবিন গাৰ্গ  
তুমি কোৱাৰ দৰে  
" মই মৰিলে সাতদিন অসম বন্ধ থাকিব,  
আই এম লিজেণ্ড।"  
সেয়াই আজি বাস্তৱ  
"মোৰ এই গান মাথো গাই যাওঁ...."  
মই মৰিলে এই গানটোকে বজাবা গোটেই অসমত  
সেয়াই বাজি আছে আজি অসমত  
তোমাৰ শেষকৃত সমাপন হ'ল  
ধন্য হ'ল সোণাপুৰৰ কমাৰকুছি বাসী  
তাতে থাকিব জিলিকি তোমাৰ সমাধি সৌধটি ।।

# এটি যুগৰ অৱসান


প্ৰযুক্তি বিশ্ববিদ্যালয়ে” সন্মানীয় ডক্টৰ অৱ লিটাৰেচাৰ (ডি.লিট) ডিগ্ৰী প্ৰদান কৰে। ২০২৫ চনত বেলতলা বহাগী উৎসৱ সমিতিয়ে তেওঁক জীৱনজোৰা সাধনাৰ ড° ভূপেন হাজৰিকা বঁটা প্ৰদান কৰে।

তেওঁ মাথোঁ শিল্পী নাছিল একেধাৰে- কবি, লেখক, সমাজসেৱক, গীতিকাৰ, সংগীতজ্ঞ, চলচ্চিত্ৰ নিৰ্মাতা আৰু অভিনেতা ইত্যাদি হিচাপেও খ্যাত। তেওঁ ১২ বিদৰো অধিক বাদ্যযন্ত্ৰ বজাবলৈ সক্ষম আছিল। অসম আত্মাৰ গুন গৰিমা কৈ শেষ কৰা অসম্ভৱ। অতন্ত্ৰ প্ৰহৰী হৈ কাম কৰি গৈছিল। দেশৰ ভাবে, দশৰ ভাবে, সমাজৰ ভাবে, দুখীয়াৰ ভাবে, মাথোঁ নিজৰ ভাবে একো কৰা নাই দান কৰি কৰি ভগৱানক যেন ঋণী হৈ গৈছে । ১২ বছৰ আগতে যিটো গছৰ তলত বহি জিৰণি লৈছিল ক্লান্ত পথিক ৰূপে আজি সোণাপুৰৰ সেই ঠাইত অনন্ত কালৰ ভাবে জিৰণি ল'লে আমাৰ অসম প্ৰান জুবিন দা।

যাৰ নিত্য নতুন গান শুনি দুঃখ-কষ্ট, হাঁহি-কান্দোন, শুই-বহি, ক্লান্ত-জিৰণি, খোৱা-লোৱা, কাম-কাজ আদি সকলোতে মিল বন্ধত থকা অৰ্থাৎ দৈনন্দিন জীৱনৰ প্ৰতি মূহুৰ্তত মিলি যোৱা গান আছে মাথোঁ এজনৰেই সেয়া হ'ল সুৰ সম্ৰাট জুবিন দা। এতিয়া নাজানো কাৰ গানৰ অপেক্ষাত থাকিম। কাৰ গান শুনি শুনি টোপনি যাম কাৰ গান শুনি চকু মেলিম, কাৰ নতুন গানৰ ষ্টেটাচ লগাম, হোৱাটচপ, ফেচবুক, ইনষ্টাগ্ৰাম আদিত মনৰ ভাৱ প্ৰকাশ কৰি। কাৰ নতুন নতুন গান শুনি নিৰ্জন দুপৰীয়া কটাম। অসম্ভৱ মৃত্যুবিহনে তোমাক পাহৰা, হে গণশিল্পী জনতাৰ যোগ্য নেতা তুমি উভতি অহা। অসমক কিয় অনাথ কৰি থৈ গলা।

অসমৰ বিশিষ্ট লেখক-সাহিত্যিক ড° নগেন শইকীয়াই জুবিন গাৰ্গ সন্দৰ্ভত মন্তব্য কৰি কৈছিল-“মই দেখিছোঁ জুবিনৰ কণ্ঠত এনে এক সুৰৰ যাদু আছে, যি মানুহক, শ্ৰোতাক সহজেই আকৰ্ষণ কৰিব পাৰে”। কথাষাৰ একেবাৰেই সত্য।।

“মানুহক দুঃখ দি ঈশ্বৰক পূজা কৰি লাভ নাই, দুঃখী জনৰ মুখত হাঁহি বিৰিঙাৰ পাৰিলেই ঈশ্বৰ সেৱা হয়”। “মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই, মই মুক্ত।”- জুবিন গাৰ্গ।



অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক


ৰঙিলী বাৰ্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286

প্ৰতিষ্ঠাপক সম্পাদক ঃ ঁমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ

Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286